## চতুৰ্থ অধ্যায়

# জাতীয়তাবাদৰ উত্থান আৰু শিক্ষাত ইয়াৰ প্ৰভাৱ (১৯০২ চনৰ পৰা ১৯১৮ লৈ)

# [(Rise of Nationalism and its impact on Education (From 1902 to 1918)]

- ভাৰতীয় বিশ্ববিদ্যালয় আয়োগ-১৯০২ (Indian University Commission-1902)
- পটভূমি আৰু নিৰ্দেশৰ চৰ্তাৱলী (Background and Terms of Reference)
- প্ৰধান পৰামৰ্শসমূহ (Major Recommendations)
- লৰ্ড কাৰ্জনৰ শিক্ষানীতি (Lord Curzon's Educational Policy)
- প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ ওপৰত কাৰ্জনৰ শিক্ষানীতি (Curzon's Policy on Primary, Secondary and Higher Education)
- লৰ্ড কাৰ্জনৰ অন্যান্য শিক্ষা সংস্কাৰ (Other's Educational Reforms of Lord Curzon)
- বিশ্ববিদ্যালয় আইন, ১৯০৪ (The University Act of 1904)
- বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ বাবে গোখলেইৰ বিল ১৯১০-১২ (Gokhale's Bill for Compulsory Primary Education 1910-12)
- অসমৰ বাধ্যতামূলক প্ৰাথমিক শিক্ষা আন্দোলনৰ প্ৰভাৱ ঃ অসম প্ৰাথমিক শিক্ষা আইন- ১৯২৬ (Impact of Compulsory Primary Education Movement in Assam : Assam Elementary Education Act-1926)
- ১৯১৩ চনৰ চৰকাৰৰ শিক্ষা নীতিৰ প্ৰস্তাৱ (Government Resolution of Educational Policy-1913)
- পটভূমি (Background)
- প্ৰস্তাৱৰ প্ৰধান ব্যৱস্থাসমূহ (Major Provisions of the Regulation)
- কলিকতা বিশ্ববিদ্যালয় আয়োগ-১৯১৮ (Calcutta University Commission-1917)
- পটভূমি (Background)
- প্ৰধান পৰামৰ্শসমূহ (Major Recommendations)



### জাতীয় জাগৰণৰ আৰম্ভণি আৰু শিক্ষাৰ ওপৰত ইয়াৰ প্ৰভাৱ (Beginning of National Consciouness and its impact on Education)

লৰ্ড কাৰ্জনৰ শিক্ষানীতিয়ে ভাৰতীয় লোকসকলক সম্পূৰ্ণৰূপে সন্তুষ্ট কৰিব পৰা নাছিল। এই শিক্ষানীতি ৰাজনৈতিকভাৱে উদ্দেশ্য প্ৰণোদিত বুলি গণ্য কৰা হৈছিল। গতিকে সেই সময়ৰ জাতীয়তাবাদী নেতাসকলে কিছুমান সিদ্ধান্তৰ প্ৰতি তীব্ৰ বিক্ষোভ প্ৰদৰ্শন কৰিছিল। তদুপৰি ৰাছিয়া আৰু জাপানৰ মাজত হোৱা বিশ্বযুদ্ধৰ পৰিণামত এছীয়া মহাদেশৰ গুৰুত্ব যথেষ্ট পৰিমাণে বৃদ্ধি পাইছিল। যাৰফলত জাতীয়তাবাদী শিবিৰ অধিক অনুপ্ৰাণিত হৈ উঠিছিল। সেই সময়ত জাপান চৰকাৰে শিক্ষাব্যৱস্থাৰ ওপৰত প্ৰতিবেদন প্ৰকাশ কৰাৰ ফলস্বৰূপে বহু ভাৰতীয় জাপানলৈ শিক্ষাগ্ৰহণৰ বাবে গৈছিল। তদুপৰি ১৯০৬ চনত কলিকতাৰপৰা প্ৰকাশিত "The Education System of Japan" নামৰ প্ৰৱন্ধ এলানিৰ ফলস্বৰূপে ভাৰতীয় যুৱকসকলৰ মনত জাপানৰ সংগ্ৰামী সত্বা আৰু জাতীয়তাবোধ বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল, যাৰফলত শৈক্ষিক দিশত এক জাগৰণ আনিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। এছিয়া মহাদেশৰ আন আন ঠাইত হোৱা ৰাজনৈতিক অভ্যুত্থানেও ভাৰতীয় লোকৰ মাজত জনজাগৰণ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। ১৯০৫ চনত পাৰ্ছিয়া (Persia) ত সাংবিধানিক ৰাজতন্ত্ৰ (Constitutional Monarchy) প্ৰতিষ্ঠিত হৈছিল। তুৰ্কী (Turkey) আৰু চীন (China) ত প্ৰতিনিধিত্বমূলক চৰকাৰ ক্ৰমাগতভাৱে সফলতাৰ দিশলৈ আগবাঢ়িছিল। তদুপৰি ব্ৰিটিছসকলৰ বংগ বিভাজনৰ নীতিৰ বিৰুদ্ধে জাতীয়তাবাদী নেতাসকল মাৰবান্ধি থিয় দিছিল। এই সকলোবোৰৰ সংমিশ্ৰণত 'স্বদেশী আন্দোলনে' মূৰ দাঙি উঠিবলৈ সুবিধা পালে।

### শিক্ষাৰ ক্ষেত্ৰত আন্দোলনৰ প্ৰভাৱ (Impact of the Movement on Education)

স্বদেশী আন্দোলনৰ মূলমন্ত্ৰই আছিল বিদেশী বস্তু বৰ্জন কৰা। স্বদেশীবস্তু উৎপাদনৰ বাবে ভাৰতীয় লোকৰ দৃষ্টি ঔদ্যোগিক শিক্ষাৰ দিশলৈ ধাবিত হয়। যাৰ ফলস্বৰূপে জাতীয়তাবাদী নেতাসকলে দেশীয় শিক্ষা প্ৰবৰ্তনৰ বাবে মত পোষণ কৰে। ইয়াৰ ফলস্বৰূপে "জাতীয় শিক্ষা সংসদ" (National Council of Education) গঠন কৰা হয়। এই সংসদৰ নেতৃত্ব বহন কৰিছিল চাৰ গুৰুদাস বেনাৰ্জী, ৰাস বিহাৰী ঘোষ আৰু ড. ৰবীন্দ্ৰ নাথ ঠাকুৰে। প্ৰাথমিক পৰ্যায়ৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয় পৰ্যায়লৈ জাতীয় শিক্ষাৰ আঁচনি ঠিক কৰা হৈছিল। সদনে শ্ৰী অৰবিন্দৰ অধ্যক্ষতাত কলিকতাত এখন জাতীয় কলেজ স্থাপন কৰে। ইয়াৰোপৰি যাদবপুৰত এখন কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠান স্থাপন কৰে, যিয়ে কালক্ৰমত যাদবপুৰ কাৰিকৰী আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (Jadabpur College of Engineering and Technology) হিচাপে পৰিগণিত হয়। সেইসময়ত বংগদেশত অসংখ্য জাতীয় স্কুল স্থাপিত হয়। এই স্কুলবোৰৰ মাধ্যম আছিল মাতৃভাষা। দেশৰ আন আন ঠাইতো এনেধৰণৰ স্কুল স্থাপনৰ উপৰিও প্ৰাচীন সভ্যতা-সংস্কৃতিৰ বাহক 'গুৰুকুল' কিছুমান স্থাপন কৰা হয়।

স্বদেশী আন্দোলনৰ প্ৰভাৱ ভাৰতীয় শিক্ষাব্যৱস্থাৰ ওপৰতো পৰা দেখা গল। কিন্তু সঠিক নিৰ্দেশনা আৰু নেতৃত্বৰ অভাৱত এই প্ৰভাৱ কিছু পৰিমাণে স্তিমিত হোৱা দেখা গ'ল। যদিও জাতীয় জাগৰণে চিন্তা চৰ্চাক আপ্লুত কৰিব পাৰিছিল, তথাপিও বাস্তৱ ক্ষেত্ৰত এই জাগৰণক সঠিক দিশত আগুৱাই নিব পৰা নগল। জাতীয় শিক্ষাব্যৱস্থা প্ৰৱৰ্তনৰ বাবে স্থাপন হোৱা বহু অনুষ্ঠান প্ৰতিষ্ঠান সময়ত বন্ধ হৈ গল। একমাত্ৰ জবলপুৰ কাৰিকৰী প্ৰতিষ্ঠানেহে (Jabalpur Technical College) স্বকীয়তা বজাই ৰাখিবলৈ সক্ষম হ'ল। ইয়াৰপৰাই দেশৰ বাবে প্ৰয়োজন হোৱা কাৰিকৰী শিক্ষাৰ অভাৱ পূৰণ কৰিবলৈ চেষ্টা কৰা দেখা গ'ল। স্বদেশী আন্দোলনৰ স্বৰূপ ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশতহে অধিক প্ৰভাৱান্বিত হ'ল। বৃন্দাবন আৰু হৰিদ্বাৰত বৈদিক মন্ত্ৰোচ্চাৰণৰদ্বাৰা ভাৰতবৰ্ষৰ প্ৰাচীন শৌৰ্যৰ ধাৰা বহন কৰিবলৈ চেষ্টা কৰা হৈছিল। শান্তি নিকেতনত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে দেশীয় শিক্ষাৰ মাধ্যমেৰে ভাৰতীয় দৰ্শন প্ৰচাৰ কৰিবলৈ সক্ষম হৈছিল। ইম্পিৰিয়েল লেজিচলেটিভ কাউন্সিলৰ সদস্য গোপালকৃষ্ণ গোখলেই তেওঁৰ জ্ঞানসমৃদ্ধ ভাষণত সাধাৰণ জনতাৰ বাবে শিক্ষাৰ প্ৰয়োজনীয়তাৰ দিশ সম্পৰ্কে সকলোকে সজাগ কৰি তুলিছিল।

১৯০৬ চনত ভাৰতবৰ্ষত মুছলিম লীগ্ (Muslim league) গঠিত হয়। কেইগৰাকীমান শিক্ষিত মুছলমান ব্যক্তিয়ে তেওঁলোকৰ জাতিগত প্ৰয়োজনৰ বাবে সামাজিক আৰু অৰ্থনৈতিক দিশত নিৰাপত্তাৰ অনুভৱৰ প্ৰতি লক্ষ্য ৰাখি লীগ্‌ৰ জন্ম দিয়ে। লৰ্ড কাৰ্জনৰ উত্তৰাধিকাৰী লৰ্ড মিণ্টো (Lord Minto) ৰে শাসনৰ দিশ সুৰক্ষিত কৰিবলৈ হিন্দু আৰু মুছলমানৰ মাজত বিভাজন আনিবলৈ চেষ্টা কৰে। ১৯০৯ চনৰ মৰ্লে-মিন্টো (Morely-Minto Reform) সংস্কাৰত ভাৰতবৰ্ষৰ সাংবিধানিক দিশত পৰিবৰ্ত্তন সাধন কৰি সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত পৰিবৰ্তন সাধন কৰাৰ লগতে শৈক্ষিক দিশতো সংস্কাৰ সাধন কৰা হয়। বৃটিছসকলৰ দিনতেই ভাৰতবৰ্ষত প্ৰথম বিভাজন আৰু শাসন (Divide and rule) নীতিৰ উদ্ভৱ হয় যাৰ পৰিণতিত হিন্দু আৰু মুছলমান উভয়ে নিজ নিজ ধৰ্মৰ লগত সংগতি ৰক্ষা কৰি শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰিবলৈ আৰম্ভ কৰে। তদুপৰি শিক্ষানুষ্ঠানসমূহত মুছলমান শিক্ষকৰ বাবে আসন সংৰক্ষিত কৰিবলৈ দাবী উত্থাপন কৰে।

## লৰ্ড কাৰ্জনৰ শিক্ষানীতি (Lord Curzon's Educational Policy) :

কুৰি শতিকাৰ প্ৰথম দশকটো ভাৰতীয় শিক্ষা ইতিহাসৰ এক উল্লেখনীয় আৰু ঘটনাবহুল সময় হিচাপে গণ্য কৰিব পাৰি। এনে এক সময়তে ১৮৯৯ চনত লৰ্ড কাৰ্জন ইংলেণ্ডৰ ৰাজ প্ৰতিনিধি স্বৰূপে ভাৰতলৈ পদাৰ্পণ কৰে। তেওঁ ১৮৮২ চনৰ পৰা ১৮৮৫ চনলৈ এছিয়া ভ্ৰমণৰ কালত ভাৰতৰ বিভিন্ন প্ৰশাসনীয় কাম-কাজ আৰু সমস্যাসমূহ জনাৰ সুযোগ লাভ কৰিছিল। লৰ্ড কাৰ্জন আছিল এজন দক্ষ প্ৰশাসক। তেওঁ এজন কঠোৰ, দৃঢ়মনা আৰু কৰ্মক্ষমতাসম্পন্ন ব্যক্তি আছিল। তেওঁ সদায়ে



বৃটিছসকলৰ প্ৰয়োজন, আগ্ৰহ, স্বাৰ্থ পূৰণৰ হকে কাম কৰিছিল। নিজৰ কৰ্তব্যৰ প্ৰতি সদা সজাগ কাৰ্জনে প্ৰশাসনীয় ক্ষমতা নিজৰ হাতত কেন্দ্ৰীভূত হৈ থকাটো বিচাৰিছিল। অৱশ্যে তেওঁ সৰ্বসাধাৰণ লোকৰ হিতৰ বাবেও মনোযোগী আছিল। তেওঁৰ প্ৰশাসনীয় দক্ষতা আৰু দূৰদৰ্শিতাৰ কাৰণে সেই সময়ত জাগ্ৰত হোৱা জাতীয়তাবাদী আন্দোলনেও তেওঁক বাধা দিব পৰা নাছিল। লৰ্ড কাৰ্জনে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ প্ৰতিটো স্তৰেই আমূল পৰিবৰ্তন আৰু সংস্কাৰ সাধন কৰাৰ উদ্দেশ্যে গুৰুত্বপূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰিছিল। তেওঁ যিকোনো কাৰ্যতে নিয়াৰিকৈ আৰু দক্ষতাৰে নিজ উদ্দেশ্য সাধন কৰিবলৈ সক্ষম হৈছিল। লৰ্ড কাৰ্জন ১৮৯৯ চনৰ পৰা ১৯০৫ চনলৈ ভাৰতবৰ্ষৰ প্ৰশাসনীয় ক্ষমতাত আছিল। এই সময়ছোৱাত গ্ৰহণ কৰা তেওঁৰ শিক্ষা সংস্কাৰ ভাৰতীয় ইতিহাসত এক উল্লেখনীয় দিশ। কাৰ্জন ভাৰতবৰ্ষলৈ অহাৰ সময়ত মূলত তিনিটা বিশেষ পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছিল। প্ৰথম সকলো স্তৰতে ভাৰতীয় শিক্ষাৰ দ্ৰুত বিকাশ হৈছিল। কিন্তু এই বৃদ্ধি অনিয়ন্ত্ৰিত আৰু আকস্মিক (haphazard) আছিল। ভাৰতীয় জাতীয়তাবাদী লোকসকলে চৰকাৰৰ বাধা নোহোৱাকৈ শিক্ষাৰ প্ৰসাৰ হোৱাটো বিচাৰিছিল।

দ্বিতীয়তে, শিক্ষাৰ মান নিম্নগামী হৈছিল, বিশেষকৈ উচ্চ শিক্ষাৰ ক্ষেত্ৰত। ভাৰতীয় লোকসকলৰ তত্বাৱধানত বিভিড়ন্ন কলেজ স্থাপন কৰা হৈছিল। উদাহৰণস্বৰূপে দয়ানন্দ সৰস্বতীৰ "Anglo Vedic" কলেজ (লাহোৰ), এনী বেচাণ্টৰ "কাশী বিদ্যাপীঠ" (বেনাৰস), সুৰেন্দ্ৰ নাথ বেনাৰ্জীৰ দ্বাৰা স্থাপিত কলিকতাৰ "ৰিপন কলেজ" (Ripon College), ৰবীন্দ্ৰনাথ ঠাকুৰে প্ৰতিষ্ঠা কৰা ব্ৰহ্মাচাৰ্য্য স্কুল (Brahmacharya School) ইত্যাদি।

তৃতীয়তে কাৰ্জনে শক্তিশালী জাতীয়তাবাদী ভাৱধাৰাৰ সন্মুখীন হৈছিল। তেওঁ ৰাজকীয় (imperialist) আৰু ভাৰত বিৰোধী মনোভাৱ গ্ৰহণ কৰা বাবে ভাৰতীয় লোকৰ মনত সন্দেহৰ সান্দহ আৰু অসন্তুষ্টিৰ ভাৱ সৃষ্টি হৈছিল। বিশেষকৈ বেঙ্গল, পাঞ্জাব আৰু মহাৰাষ্ট্ৰত এক চৰম ৰাজনীতি জাগি উঠিছিল যাক 'Lal-Bal-Pal' যুগ" বুলি কোৱা হৈছিল। (বিপিন চন্দ্ৰ পাল, লালা লাজপত ৰায় আৰু বাল গঙ্গাধৰ তিলক)।

এনেকুৱা এক পৰিস্থিতিত লৰ্ড কাৰ্জনে ভাৰতবৰ্ষত প্ৰশাসনীয় আৰু শৈক্ষিক সংস্কাৰ বাবে অশেষ চেষ্টা কৰিছিল। কিন্তু লৰ্ড ডেলহাউচিৰ দৰে কাৰ্জনৰ মনতো সাধাৰণ জনগণৰ বাবে কোনো ধৰণৰ সহানুভূতিৰ মনোভাৱ নাছিল। ভাৰতলৈ আহিয়েই তেওঁ শিক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা সংশোধনী নীতিয়ে ভাৰতীয় লোকসকলৰ মনত সন্দেহৰ বীজ ৰোপণ কৰিছিল। তেওঁ কাৰ্যৰদ্বাৰা দেখুৱাই দিছিল যে এগৰাকী একছত্ৰী শাসনতকৈ কাৰ্জন, কোনো গুণ কম আচৰণ প্ৰদৰ্শন কৰা নাছিল।

## চিমলা সন্মিলন (Shimla Conference) :

১৯০১ চনৰ চেপ্তেম্বৰ মাহত চিমলাত এখন গোপন বৈঠক অনুষ্ঠিত কৰা হৈছিল। ইয়াত প্ৰাদেশিক শিক্ষাধিকাৰসকলক (Directors of Public Instruction) খৃষ্টিয়ান মিছনেৰীসকলৰ লগতে আমন্ত্ৰণ জনোৱা হৈছিল। কিন্তু দুৰ্ভাগ্যবশতঃ কোনো ভাৰতীয়লোকক ইয়ালৈ মতা হোৱা নাছিল। কাৰ্জনে নিজেই ইয়াত সভাপতিত্ব কৰিছিল। এই সন্মিলন প্ৰায় ১৫ দিন চলিছিল। প্ৰাথমিক শিক্ষাৰপৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়ৰ স্তৰলৈকে প্ৰায় সকলো দিশৰ ওপৰত কাৰ্জনে সন্মিলনৰ অংশগ্ৰহণকাৰীসকলৰ লগত আলোচনা কৰিছিল। তেওঁ শিক্ষাৰ ওপৰত চৰকাৰী নিয়ন্ত্ৰণ অধিক হোৱাৰ ওপৰত সপক্ষে মত পোষণ কৰিছিল। সন্মিলনত নিৰ্ধাৰণ কৰা নীতিসমূহ আছিল —

১। বৃটিছ চৰকাৰে ভাৰতীয় শিক্ষাৰ সকলো পৰ্যায়তে চৰকাৰী নিৰ্দেশনা আৰু নিয়ন্ত্ৰণ নীতি ৰক্ষা কৰিব।

২। সৰ্বসাধাৰণ লোকৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষানুষ্ঠান স্থাপন কৰা হ'ব। এনেবোৰ ব্যক্তিগত শিক্ষানুষ্ঠানবোৰৰ আদৰ্শ স্বৰূপ হৈ উঠিব।

৩। শিক্ষাৰ প্ৰসাৰৰ বাবে চৰকাৰে সাহায্য বৃদ্ধি কৰিব।

৪। কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় শিক্ষা নিয়ন্ত্ৰণত সম্পূৰ্ণ কৰ্তৃত্ব লাভ কৰিব।

এনেদৰে শিক্ষা সন্মিলনখনত বিভিন্ন শিক্ষা বিষয়ক গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। কিন্তু সন্মিলনৰ সকলো কৰ্মসূচী আৰু সিদ্ধান্ত সাধাৰণ ৰাইজক জনোৱাৰ পৰা বিৰত আছিল। গতিকে ভাৰতীয় লোকসকলে এই সন্মিলনৰ সিদ্ধান্তসমূহক দেশৰ শিক্ষা ব্যৱস্থাত এক গভীৰ ষড়যন্ত্ৰ থকা বুলি বিবেচনা কৰে। ভাৰতৰ শিক্ষা ব্যৱস্থাক ইউৰোপীয়ান আৰু খ্ৰীষ্টিয়ান মিছনেৰীসকলক অৰ্পণ কৰিব আৰু ভাৰতীয় লোকসকলৰ অৰ্পণ কৰিব আৰু ভাৰতীয় লোকসকলৰ জাতীয়তা মনোভাৱ ধ্বংস কৰিব বুলি ঠাৱৰ কৰা হৈছিল।

## লৰ্ড কাৰ্জন আৰু প্ৰাথমিক শিক্ষা (Lord Curzon and Primary Education)

প্ৰাথমিক শিক্ষা বিকাশৰ বাবে লৰ্ড কাৰ্জনে এক উদাৰ নীতি গ্ৰহণ কৰিছিল। ভাৰতীয় শিক্ষা ব্যৱস্থাৰ সংখ্যাগত আৰু গুণাত্মক দিশত থকা সমস্যাৰাজি কাৰ্জনে ভালদৰে জানিছিল। তেওঁ ভাবিছিল যে সৰ্বসাধাৰণ লোক নিৰক্ষৰ হৈ থাকিলে দেশ ভালদৰে পৰিচালনা কৰিব নোৱাৰি। দেশৰ নিৰক্ষৰতাই বাণিজ্য, কৃষি, অৰ্থনৈতিক দিশতো হেঙাৰ হৈ উঠিব। গতিকে প্ৰাথমিক শিক্ষাৰ প্ৰতি গুৰুত্ব আৰোপ কৰি কেতবোৰ পৰামৰ্শ প্ৰদান কৰে। তলত পৰামৰ্শসমূহ আলোচনা কৰা হ'ল —

১। **উদাৰ অনুদান সহায়ক নীতিৰ ব্যৱস্থা (Liberal Grant-in-aid) :** লৰ্ড কাৰ্জনে প্ৰাথমিক শিক্ষাৰ বিকাশৰ বাবে অধিক পুঁজি মুকলি কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়ায়। স্থানীয় কৰ্তৃপক্ষ



আৰু লোকেল ব'ৰ্ডসমূহক পৌনঃপুনিক (Recurring) অৰ্থ সাহায্য প্ৰদানৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। এনে সাহায্যৰ পৰিমাণ পূৰ্বতে থকা মুঠ খৰচৰ এক তৃতীয়াংশৰ পৰা দুভাগৰ পৰা এভাগলৈ বৃদ্ধি কৰাৰ পৰামৰ্শ প্ৰদান কৰে।

২। **ফলাফলভিত্তিত অনুদান ব্যৱস্থাৰ পৰিহাৰ (Aboliton of the System of Payment by results) :** হাণ্টাৰ আয়োগে প্ৰয়োগ কৰা ফলাফলৰ ভিত্তিত অনুদান নীতিয়ে শিক্ষাৰ বিকাশত হেঙাৰ ৰূপে দেখা দিছিল। লৰ্ড কাৰ্জনে এনে নীতিক পৰিত্যাগ কৰি উদাৰ মনোভাৱেৰে সকলো শিক্ষানুষ্ঠানলৈ অৰ্থ সাহায্য দিব লাগে বুলি পৰামৰ্শ দিয়ে।

৩। **পাঠ্যক্ৰমৰ সংস্কাৰ (Reform in Curriculum) :** লৰ্ড কাৰ্জনে প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰম সংস্কাৰৰ উদ্দেশ্যে উপযোগিতামূলক বিষয় অন্তৰ্ভুক্ত কৰাৰ পৰামৰ্শ দিয়ে। যিহেতু ভাৰতবৰ্ষ এখন কৃষিপ্ৰধান দেশ, গতিকে শাৰীৰিক শিক্ষা, কৃষি শিক্ষা আদিৰ ব্যৱস্থা কৰা উচিত। তেওঁৰ মতে, প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম স্থানীয় পৰিবেশৰ লগত সংগতি থকা উচিত আৰু নগৰ আৰু গ্ৰাম্য অঞ্চলত পাঠ্যক্ৰম পৃথক পৃথক হোৱা উচিত।

৪। **শিক্ষকৰ প্ৰশিক্ষণ (Teacher's Training) :** লৰ্ড কাৰ্জনে প্ৰাথমিক শিক্ষাৰ গুণগত দিশৰ উন্নতি সাধনৰ বাবে শিক্ষকসকলক উপযুক্ত প্ৰশিক্ষণ দিব লাগে বুলি মত পোষণ কৰে। শিক্ষকৰ প্ৰশিক্ষণৰ বাবে শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰাৰ বিশেষ গুৰুত্ব দিব লাগে পৰামৰ্শ প্ৰদান কৰে। গাঁও অঞ্চলৰ শিক্ষকসকলক প্ৰশিক্ষণ দিয়া উচিত বুলি কাৰ্জনে গুৰুত্ব দিয়ে।

৫। **শিক্ষকৰ দৰমহা বৃদ্ধি (Improvement of Teacher's Salary) :** প্ৰাথমিক শিক্ষাৰ শিক্ষকসকলৰ মানদণ্ড উন্নত কৰাৰ বাবে লৰ্ড কাৰ্জনে উপযুক্ত দৰমহা প্ৰদান কৰিব লাগে বুলি মন্তব্য প্ৰকাশ কৰে। তেওঁ নিৰীক্ষণ কৰি কয় যে ৰাজ্যভেদে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ দৰমহা ভিন্ন ধৰণৰ। সেয়েহে তেওঁ সকলো ৰাজ্যৰ শিক্ষককে সমাহাৰত দৰমহা প্ৰদানত গুৰুত্ব আৰোপ কৰে।

৬। **শিক্ষাদান পদ্ধতিৰ উন্নতি সাধন (Improvement of Methods of Teaching) :** লৰ্ড কাৰ্জনে অনুভৱ কৰিছিল যে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাদান পদ্ধতি অতি পুৰণি আৰু বিজ্ঞানসন্মত নহয়। যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকল আকৰ্ষিত নহয়। প্ৰাথমিক শিক্ষাৰ শিক্ষাদান পদ্ধতিৰ উন্নতিৰ বাবে তেওঁ কিণ্ডাৰগাৰ্ডেন পদ্ধতিৰ দৰে বিজ্ঞানসন্মত পদ্ধতি প্ৰয়োগৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। যিবোৰ বিদ্যালয়ৰ যোগ্য শিক্ষক আছিল, তেনেকুৱা বিদ্যালয়ত এনে পদ্ধতি ব্যৱহাৰ কৰা হৈছিল।

এইদৰে লৰ্ড কাৰ্জনে প্ৰাথমিক শিক্ষাৰ গুণগত আৰু সংখ্যাগত দিশৰ উন্নতিৰ বাবে বিশদভাৱে অধ্যয়ন কৰি তাৰ উন্নতিৰ অৰ্থে পৰামৰ্শ আগবঢ়াইছিল। শিক্ষাত সহায়ক অনুদান বৃদ্ধি,

উপযোগিতামূলক পাঠ্যক্ৰম, কৃষি বিজ্ঞানৰ অন্তৰ্ভুক্তি, শাৰীৰিক শিক্ষাৰ গুৰুত্ব, শিক্ষকৰ দৰমহা বৃদ্ধি, শিক্ষকৰ প্ৰশিক্ষণ ব্যৱস্থাকৰণ আদি উল্লেখনীয় দিশ হিচাপে গণ্য কৰিব পাৰি।

## মাধ্যমিক শিক্ষা (Secondary Education)

হান্টাৰ আয়োগৰ মাধ্যমিক শিক্ষাৰ ওপৰত গ্ৰহণ কৰা শিক্ষানীতিয়ে শিক্ষাব্যৱস্থাৰ বিশেষ পৰিবৰ্তন সাধন কৰিব পৰা নাছিল। শিক্ষাৰ ওপৰত চৰকাৰৰ উদাৰ মনোভাৱ নাইবা কম হস্তক্ষেপৰ (Laissez Faire) নীতিয়ে শিক্ষাক্ষেত্ৰত বিশেষ সমস্যা কিছুমানৰ সৃষ্টি কৰিছিল। শিক্ষাৰ ক্ষেত্ৰত বেচৰকাৰী ব্যৱস্থাৰ প্ৰভাৱত শিক্ষাৰ দিশ নিম্নগামী হোৱা দেখা গৈছিল। ব্যক্তিগত বিদ্যালয়সমূহৰ অসমাৰ্থতা, প্ৰয়োজনীয় শিক্ষকৰ অভাৱ, আচবাব পত্ৰৰ অভাৱ আদিয়ে শিক্ষাৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল। গতিকে এইক্ষেত্ৰত কিছু নীতিৰ সালসলনি কৰিবলগীয়া হৈছিল। কাৰ্জনে মাধ্যমিক শিক্ষাব্যৱস্থাৰ ওপৰত শিক্ষানীতি সলনি কৰিবলৈ দুই ধৰণৰ পৰামৰ্শ দাঙি ধৰিছিল—নিয়ন্ত্ৰণৰ নীতি (Policy of Control) আৰু বিকাশৰ নীতি (Policy of improvement)।

### নিয়ন্ত্ৰণৰ নীতি (Policy of Control) :

(১) চৰকাৰী নাইবা সাহায্যপ্ৰাপ্ত প্ৰতিখন মাধ্যমিক বিদ্যালয়ে চৰকাৰী অনুমোদন লাভ কৰিব লাগিব। ইয়াৰ বাবে বিদ্যালয়সমূহৰ নিম্নোক্ত সা-সুবিধাবোৰ থাকিব লাগিব ঃ

(i) অৰ্থনৈতিকভাৱে টনকিয়াল অৱস্থা,

(ii) সঠিকভাৱে নিৰ্বাচন কৰা পৰিচালনা সমিতি,

(iii) এক নিৰ্দিষ্ট মানদণ্ড আৰু সঠিক তথা উপযুক্ত পাঠ্যক্ৰম,

(iv) ছাত্ৰ-ছাত্ৰীৰ বাবে উপযুক্ত মনোৰঞ্জন আৰু খেল-ধেমালিৰ ব্যৱস্থা আৰু,

(v) উপযুক্ত শিক্ষক নিযুক্তি।

এই সকলোবোৰ প্ৰয়োজন পূৰণ কৰিব পাৰিলেহে স্কুল এখনে চৰকাৰী অনুমোদন লাভ কৰিব তথা চৰকাৰে আগবঢ়োৱা সাহায্য লাভ কৰিব পাৰিব। তদুপৰি ছাত্ৰ-বৃত্তি আৰু ছাত্ৰসকলে প্ৰতিযোগীতামূলক পৰীক্ষাত উত্তীৰ্ণ হবৰ বাবেও এই চৰ্তসমূহ পূৰণ কৰিব লাগিব।

(২) চৰকাৰৰপৰা অনুমোদন লাভ কৰাৰ উপৰিও স্কুলসমূহে বিশ্ববিদ্যালয়ৰ পৰাও অনুমোদন লাভ কৰিব লাগিব। তেতিয়াহে ছাত্ৰ-ছাত্ৰীসকলে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হব পাৰিব।

(৩) অনুমোদন লাভ নকৰা স্কুলৰপৰা অনুমোদিত স্কুললৈ ছাত্ৰ-ছাত্ৰী বদলিকৰণৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হব।



### বিকাশৰ নীতি (Policy of Improvement) :

লৰ্ড কাৰ্জনে শিক্ষাব্যৱস্থাৰ উন্নয়ন সাধন হোৱাটো বিচাৰিছিল। মাধ্যমিক শিক্ষাৰ বিকাশৰ বাবে তেওঁ কিছুমান বিশেষ ব্যৱস্থা প্ৰণয়ন হোৱাটো বিচাৰিছিল। তলত পৰামৰ্শসমূহ উল্লেখ কৰা হ'ল—

(১) পৰিদৰ্শকক মাধ্যমিক স্কুলৰ ওপৰত কঠোৰ নিয়ন্ত্ৰণ কৰিবলৈ পৰামৰ্শ দিয়া হৈছিল। ইয়াৰ বাবে পৰিদৰ্শকৰ সংখ্যা বঢ়াই দিব লাগিব।

(২) মাধ্যমিক শিক্ষাৰ মানদণ্ড বিকাশৰ বাবে শিক্ষক প্ৰশিক্ষণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছিল। ইয়াৰ বাবে শিক্ষণ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সংখ্যা বৃদ্ধি কৰাৰ ওপৰত গুৰত্ব আৰোপ কৰিব লাগিব।

(৩) চৰকাৰী বিদ্যালয়সমূহলৈ অধিক সাহায্য আগবঢ়োৱাৰ ওপৰত গুৰুত্ব দিয়া উচিত যাতে এই স্কুলসমূহ বেচৰকাৰী স্কুলৰ আদৰ্শ হব পাৰে।

(৪) চৰকাৰী স্কুলৰ সমান্তৰালকৈ আগবাঢ়ি যাব যাতে পাৰে তাৰবাবে বেচৰকাৰী স্কুলসমূহক অধিক সাহায্য প্ৰদান কৰি উৎসাহ যোগাব লাগিব।

(৫) ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন পূৰণ কৰিব পৰাকৈ মাধ্যমিক স্কুলৰ পাঠ্যক্ৰম সালসলনি কৰি ভিন্নমুখী বিষয় অন্তৰ্ভুক্তিকৰণৰ ওপৰত গুৰুত্ব দিব লাগিব।

(৬) মজলীয়া স্কুলসমূহৰ পাঠদানৰ মাধ্যম মাতৃভাষাৰ কৰাৰ ওপৰত গুৰুত্ব দিব লাগিব।

## লৰ্ড কাৰ্জনৰ অন্যান্য শৈক্ষিক সংস্কাৰ (Others Educational Reforms of Lord Curzon) :

শিক্ষাৰ অন্যান্য দিশত আগবঢ়োৱা কাৰ্জনৰ সংস্কাৰ তলত উল্লেখ কৰা হ'ল—

(ক) বিদ্যালয় সমূহ ভাৰতীয় কলা বিশেষ সুব্যৱস্থা নথকা বাবে কাৰ্জনে বিষয় সমষ্টি, শিক্ষাদান পদ্ধতি আৰু সংগঠন পুনৰ সংশোধন কৰাৰ পৰামৰ্শ আগবঢ়াইছিল।

(খ) কৃষিবিজ্ঞান শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৃষি বিজ্ঞান বিভাগ গঠন কৰিছিল। কৃষি বিষয়ত উচ্চ শিক্ষা আৰু গৱেষণা কৰাৰ বাবে পুচাত (Pusa) কেন্দ্ৰীয় গৱেষণা সংস্থা (Central Research Institute) স্থাপন কৰিছিল। প্ৰত্যেকখন ৰাজ্যতে একোখনকৈ নিজা কৃষি বিদ্যালয় স্থাপন কৰাটো বিচাৰিছিল। তদুপৰি মধ্য বিদ্যালয় আৰু উচ্চ বিদ্যালয় স্তৰত ছাত্ৰ-ছাত্ৰীসকলক কৃষি ওপৰত প্ৰশিক্ষণ দিয়াৰ বাবে ব্যৱস্থা কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়ায়।

(গ) কাৰিকৰী শিক্ষা অধ্যয়নৰ বাবে ভাৰতীয় ছাত্ৰক বিদেশত পঠিয়াবলৈ বৃত্তি প্ৰদান কৰাৰ ব্যৱস্থা কৰিছিল। লৰ্ড কাৰ্জনে ভাৰতীয় উদ্যোগবোৰৰ বিকাশৰ বাবে এনে পন্থা গ্ৰহণ কৰিছিল।

(ঘ) ১৯০১ চনৰ চিমলা শিক্ষা সন্মিলনত ধৰ্মীয় শিক্ষাৰ ওপৰতো আলোচনা কৰা হৈছিল। সেই অনুযায়ী লৰ্ড কাৰ্জনে ঘোষণা কৰিছিল যে চৰকাৰী শিক্ষানুষ্ঠান সমূহত শিক্ষাদান ধৰ্মনিৰপেক্ষমূলক হ'ব লাগিব। (In Govt. institutions the instruction is, on must continue to be secular)। কিন্তু অনুদানপ্ৰাপ্ত বিদ্যালয়ে ধৰ্মীয় শিক্ষা দিয়াৰ পোষকতা কৰে।

(ঙ) লৰ্ড কাৰ্জনে মন কৰিছিল যে ভাৰতীয় পুৰণি ঐতিহ্যপূৰ্ণ আৰু পুৰাতত্ত্ব সমাগ্ৰী সমূহৰ ৰক্ষণাবেক্ষণ ভালদৰে কৰা হোৱা নাই। সেয়েহে তেওঁ পুৰাতত্ত্ব বিভাগ স্থাপন কৰাৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। ১৯০৪ চনত তেওঁ পৌৰাণিক পুৰাতত্ত্ব সংৰক্ষণ আইন (Ancient Monument Presentation Act of 1904) গৃহীত কৰিছিল যাতে দেশৰ আপুৰুগীয়া সম্পদবোৰ সংৰক্ষণ আৰু ৰক্ষণাবেক্ষণ কৰিব পাৰি। তেওঁ চাৰ জন মাৰ্শ্বলক (John Marshal) প্ৰত্নতত্ত্ব সমীক্ষা বিভাগৰ মুৰব্বী হিচাপে নিযুক্তি দিছিল।

(চ) ভাৰতীয় শিক্ষা ক্ষেত্ৰত লৰ্ড কাৰ্জনৰ এক উল্লেখনীয় অৱদান হৈছে শিক্ষাধিকৰ্ত্তাৰ বাবে এটা পদবীৰ সৃষ্টি কৰা। তেওঁ প্ৰধান শিক্ষাধিকৰ্ত্তা (Director General of Education) পদটো সৃষ্টি কৰি শিক্ষা বিভাগৰ কাৰ্যদক্ষতা বৃদ্ধিৰ চেষ্টা কৰিছিল।

এনেদৰে লৰ্ড কাৰ্জনে ভাৰতীয় শিক্ষা ব্যৱস্থাত এক সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাইছিল।

## ১৯০২ চনৰ বিশ্ববিদ্যালয় আইন (University Commission Act, 1902)

১৯০২ চনৰ ২৭ জানুৱাৰীত লৰ্ড কাৰ্জনে বিশ্ববিদ্যালয় আইন নিযুক্তি দিয়ে। সেই বছৰৰে জুন মাহত এই সম্পৰ্কত প্ৰতিবেদন দাখিল কৰা হয়। সেই সময়ত বিশ্ববিদ্যালয় শিক্ষাই বিভিন্ন দিশত সমস্যাৰ আবেষ্টনীত আছিল। ভাৰতত বিশ্ববিদ্যালয় স্থাপনৰ পিছত তাৰ উন্নয়নৰ বাবে বিশেষ একো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল। তদুপৰি কলেজ আৰু মাধ্যমিক বিদ্যালয় লক্ষণীয়ভাৱে বাঢ়িবলৈ ধৰিছিল, আনহাতে বিশ্ববিদ্যালয় শিক্ষাৰ আশানুৰূপভাৱে বিকাশ হোৱা নাছিল। তদুপৰি বিশ্ববিদ্যালয়কেইখন বিভিন্ন সংকটত ভুগি আছিল। ১৯০২ চনৰ ভাৰতীয় বিশ্ববিদ্যালয় আয়োগৰ সদস্যসকল মূলত ১৮১৮ চনৰ লণ্ডন বিশ্ববিদ্যালয় সংস্কাৰ আইনৰ দ্বাৰা প্ৰভাৱিত হৈছিল। তেওঁলোকে শৈক্ষিক দিশৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰা নাছিল। সদস্যৰ নতুনত্বহীন আৰু স্বতন্ত্ৰ চিন্তা-চৰ্চাৰ অভাৱে ভাৰতীয় শিক্ষাত অগ্ৰগতিৰ অৰিহণা যোগোৱাত ব্যৰ্থ হৈছিল। সেইসময়ত ইংলেণ্ডত হোৱা বিবাদৰ প্ৰভাৱহে ভাৰতত প্ৰতিধ্বনি হিচাপে শুনা গৈছিল।

দ্বিতীয়তে, আয়োগৰ পৰামৰ্শাৱলীবোৰ সংকীৰ্ণ বিধৰ আছিল বুলি ক'ব পাৰি। কিয়নো কেৱল বিশ্ববিদ্যালয়ৰ সংস্কাৰৰ বাবেহে আয়োগে পৰামৰ্শ প্ৰদান কৰিছিল। সমগ্ৰ দেশৰ শিক্ষাৰ উন্নতিৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নাছিল। তদুপৰি লৰ্ড কাৰ্জনৰ সুচিন্তিত ভাৰতীয় শিক্ষিত লোকসকলেও সন্দেহৰ চকুৰে চাইছিল।



আয়োগে গ্ৰহণ কৰা আন এক স্থিতি আছিল কোনো নতুন বিশ্ববিদ্যালয় স্থাপনৰ বিৰোধিতা। এনে এক সিদ্ধান্ত ভাৰতীয় জাতীয়তাবাদী আৰু উন্নয়নমূলক চিন্তাধাৰাৰ লোকসকলে সমালোচনাৰ দৃষ্টিভংগীৰে চাইছিল। নতুনকৈ কোনো বিশ্ববিদ্যালয় স্থাপন কৰিব নোৱাৰাটো ভাৰতীয় জাতীয়তাবাদী লোকসকলৰ পৰিপন্থী আছিল। ভাৰতীয় লোকসকলে উচ্চশিক্ষাৰ উন্নতি আৰু প্ৰসাৰ হোৱাটো বিচাৰিছিল। কাৰণ তেওঁলোকে ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ প্ৰসাৰ সাধন হোৱাটো বিচাৰিছিল।

এই আয়োগখন প্ৰধানকৈ চৰকাৰী কৰ্মকৰ্তা আমোলাকেন্দ্ৰিক (official) আছিল। আয়োগৰ সদস্য বেছিভাগেই কাৰ্জনৰ সমৰ্থক আছিল বাবে কাৰ্জনে বেয়া পোৱা কোনো সিদ্ধান্ত লোৱা হোৱা নাছিল।

বিশ্ববিদ্যালয় আইনৰ মূল উদ্দেশ্য আছিল ঃ—

(১) বৃটিছৰ অধীনৰ ভাৰতবৰ্ষত বিশ্ববিদ্যালয়কেইখনৰ অৱস্থা আৰু ভৱিষ্যত দিশৰ ওপৰত অনুসন্ধান কৰা।

(২) বিশ্ববিদ্যালয়ৰ সংবিধান সলনি কৰি ইয়াৰ অৱস্থা উন্নীত কৰা আৰু কাৰ্যব্যৱস্থাৰ বিকাশ সাধন কৰিবৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰি প্ৰতিবেদন দাখিল কৰা।

(৩) শিক্ষা আধুনিকীকৰণ কৰিবৰ বাবে গৱৰ্ণৰ জেনেৰেলৰ সদস্যসকলৰ সংসদ (Governor-General-in-Council) ক প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰা, যাতে বিশ্ববিদ্যালয়ৰ শিক্ষাদান প্ৰক্ৰিয়াৰ উন্নতি সাধন কৰিব পৰা যায়।

## আইনৰ প্ৰধান পৰামৰ্শসমূহ (Suggestions of the Act)

বিশ্ববিদ্যালয়ৰ প্ৰশাসন আৰু শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ কিছুমান বিশেষ পৰামৰ্শ প্ৰদান কৰে। তলত পৰামৰ্শসমূহ উল্লেখ কৰা হ'ল —

(১) বিশ্ববিদ্যালয় প্ৰশাসন নতুনকৈ পুনৰগঠন কৰিব লাগিব। চিনেটৰ গঠন পৰিৱৰ্তন হ'ব লাগিব। সদস্যভুক্ত লোকক চিনেটৰ সদস্য হ'ব দিব নালাগিব। বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ অধ্যাপকসকলৰ প্ৰতিনিধিত্ব চিনেটত থাকিব।

(২) কলেজসমূহলৈ বিশ্ববিদ্যালয়ৰ অনুমোদন আগবঢ়োৱাৰ ক্ষেত্ৰত কঠোৰ নিয়ন্ত্ৰণ আৰু পদ্ধতিগতভাৱে পৰিদৰ্শন কৰিবলৈ পৰামৰ্শ দিয়ে। তদুপৰি অনুমোদনৰ ক্ষেত্ৰত নতুন নীতি প্ৰযোজ্য কৰিব লাগিব।

(৩) ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক আৰু ব্যৱহাৰিক দিশৰ উন্নয়ন সাধন কৰি জীৱন সম্পৰ্কে বাস্তৱ শিক্ষা গ্ৰহণ কৰিবলৈ তেওঁলোকৰ থকা-খোৱা আৰু কৰ্মৰ দিশত অধিক মনোযোগ দিব লাগিব।

(৪) এক নিৰ্দিষ্ট পৰিসৰৰ ভিতৰত বিশ্ববিদ্যালয়ক শিক্ষাদান কাৰ্যাৱলী পৰিচালনা কৰিবলৈ আহ্বান জনায় আৰু ইয়াৰ বাবে আগতীয়াকৈ সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব।

(৫) চিণ্ডিকেটসমূহক ন্যায়িক দায়িত্ব দিয়া উচিত। চিণ্ডিকেটৰ সদস্য সংখ্যা ৯ জনৰ পৰা ১৫ জনলৈ থাকিব আৰু চিনেটৰ দ্বাৰা নিৰ্বাচিত হ'ব।

(৬) বিশ্ববিদ্যালয়ৰ দ্বাৰা মহাবিদ্যালয়সমূহত অতি কঠোৰ আৰু পদ্ধতিগত পৰিদৰ্শনৰ ব্যৱস্থা থাকিব। প্ৰত্যেক মহাবিদ্যালয় যথোচিতভাৱে একোখনকৈ পৰিচালনা সমিতি (Governing Body) আৰু সৰহসংখ্যক অধ্যাপক থাকিব লাগিব।

(৭) প্ৰত্যেক মহাবিদ্যালয়ত পুথিভঁৰাল, গৱেষণাগাৰ, হোষ্টেল, আচবাব-পত্ৰ, সা-সঁজুলি প্ৰয়োজন অনুসৰি থাকিব লাগিব।

(৮) উচ্চ শিক্ষাৰ উন্নীতকৰণৰ বাবে পাঠ্যক্ৰমৰ বাস্তৱ দিশত বলিষ্ঠ (Substantial) পৰিবৰ্তন কৰিব লাগিব।

(৯) পৰীক্ষা-পদ্ধতি সলনি কৰিব লাগিব। প্ৰৱেশিকা পৰীক্ষাৰ মানদণ্ড উন্নত কৰিব লাগিব।

(১০) ইণ্টাৰমেডিএট পৰীক্ষা বিলুপ্ত (abolised) কৰিব লাগিব। তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰম হ'ব।

(১১) উচ্চ শিক্ষাৰ বাবে যোগ্যতাসম্পন্ন ছাত্ৰ-ছাত্ৰীক বৃত্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

লৰ্ড কাৰ্জনৰ ১৯০২ চনৰ বিশ্ববিদ্যালয় আইনৰ পৰামৰ্শাৱলীৰ ভিত্তিত ইম্পিৰিয়েল লেজিচ্‌লেটিভ কাউন্সিলে (Imperial Legislative Council) ১৯০৪ চনৰ বিশ্ববিদ্যালয় আইন প্ৰণয়ন কৰে।

## ১৯০৪ চনৰ বিশ্ববিদ্যালয় আইন (The Indian Universities Act, 1904) :

১৯০২ চনৰ ভাৰতীয় আয়োগৰ পৰামৰ্শবোৰৰ আৰু ১১ মাৰ্চ, ১৯০৪ চনৰ চৰকাৰী প্ৰস্তাৱৰ ওপৰত ভিত্তি কৰি ভাৰতীয় বিশ্ববিদ্যালয় আইনখন ১৯০৪ চনৰ ২১ মাৰ্চত বিল হিচাপে ৰাজকীয় বিধায়নিক পৰিষদ (Imperial Legislative Council) ত গৃহীত কৰা হৈছিল। এইখন এখন গুৰুত্বপূৰ্ণ আইন আছিল। ইয়াত ভাৰতীয় শিক্ষা ব্যৱস্থাৰ স্পষ্টকৈ আলোচনা কৰা হৈছে। প্ৰস্তাৱত কোৱা হৈছিল যে "সাংখ্যিক দিশৰ পৰা বৰ্তমান শিক্ষা পদ্ধতিৰ দোষসমূহ সকলোৱে জ্ঞাত। ৫ খন গাঁওৰ ভিতৰত ৪ জনেই শিক্ষা অবিহনে ডাঙৰ দীঘল হৈছে আৰু ৪০ জন ছোৱালীৰ ভিতৰত মাত্ৰ এজনীয়ে কোনো বিদ্যালয়ত উপস্থিত থাকে।" এনেবোৰ দোষ-ক্ৰুটি আঙুলিয়াই আয়োগে উচ্চশিক্ষাত দেখা দিয়া সমস্যা কেতবোৰ উল্লেখ কৰে। যেনে—

১। উচ্চ শিক্ষাৰ লক্ষ্য কেৱল চৰকাৰী চাকৰি লাভৰ সহায়ক হোৱা বাবে ইয়াৰ পৰিসৰ নিম্নগামী তথা সংকীৰ্ণ বিধৰ হৈ পৰিছে।

২। পৰীক্ষাৰ ওপৰত অধিকভাৱে গুৰুত্ব আৰোপ কৰা হৈছে।

৩। পাঠ্যক্ৰমৰ বিষয় সমষ্টি মূলত তাত্ত্বিক বিধৰ।



৪। বিদ্যালয় আৰু মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ ওপৰত গুৰুত্ব দিয়াৰ পৰিবৰ্তে যান্ত্ৰিক স্মৃতি বিকাশত অধিক গুৰুত্ব দিছে।

৫। ইংৰাজী ভাষাৰ ওপৰত গুৰুত্ব দিয়াৰ ফলত দেশীয় থলুৱা বিষয়ৰ গুৰুত্ব কমি গৈছে।

৬। কাৰিকৰী বিষয়ৰ প্ৰতি অৱহেলা কৰা হৈছে। কাৰিকৰী শিক্ষাৰ কাৰণে যিখিনি সুবিধা প্ৰদান কৰা হৈছে, কেৱল চৰকাৰী উচ্চপদত মকৰল কৰাৰ বাবে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

এইদৰে বিভিন্ন উচ্চ শিক্ষাৰ সমস্যা চিনাক্ত কৰাৰ অন্তত, ১৯০৪ চনৰ ভাৰতীয় বিশ্ববিদ্যালয় আইনৰ জৰিয়তে সমাধানৰ কেতবোৰ পৰামৰ্শ আগবঢ়ায়। তলত পৰামৰ্শসমূহ উল্লেখ কৰা হ'ল—

(১) বিশ্ববিদ্যালয়ৰ কৰ্ম পৰিসৰ বৃদ্ধি কৰা হয়। বিশ্ববিদ্যালয়ৰ প্ৰবক্তা আৰু অধ্যাপক নিযুক্তিৰ ক্ষেত্ৰত সম্পূৰ্ণ অধিকাৰ প্ৰদান কৰা হয়। তদুপৰি গৱেষণাৰ বাবে উপযুক্ত সুবিধা প্ৰদানৰ কৰ্তৃত্বও প্ৰদান কৰা হয়।

(২) চিনেটৰ সংখ্যা হ্ৰাস কৰা হয়। ১৮৫৭ চনৰ Act of Incorporation ৰ মতে চিনেটৰ সদস্যসকলক চৰকাৰে আজীৱন সদস্য হিচাপে নিযুক্তি দিছিল। নতুন আইন মতে চিনেটৰ সদস্য সংখ্যা ১০০ তকৈ বেছি আৰু ৫০ তকৈ কম হব নোৱাৰিব। সদস্যসকল পাচবছৰতকৈ অধিক কাল কাৰ্য নিৰ্ধাৰণ কৰিব নোৱাৰিব।

(৩) সদস্য নিৰ্বাচন পদ্ধতি সলনি কৰি নতুন পদ্ধতি গ্ৰহণ কৰা হয়। বোম্বে, মাদ্ৰাছ আৰু কলিকতাৰ বাবে ২০ জনকৈ সদস্য আৰু বাকীবোৰৰ বাবে ১৫ জন সদস্য নিৰ্বাচনৰ অধিকাৰ দিয়া হয়।

(৪) চিণ্ডিকেটসমূহক আইনগত স্বীকৃতি প্ৰদান কৰা হয়। এই সভাবোৰত বিশ্ববিদ্যালয়ৰ শিক্ষকৰপৰা উপযুক্ত প্ৰতিনিধিত্ব থাকিব লাগিব।

(৫) বিশ্ববিদ্যালয়ৰ পৰা অনুমোদন লাভ কৰিবৰ বাবে কলেজবোৰে কঠোৰ নিয়ম পালন কৰিব লাগিব।

(৬) কলেজসমূহৰ মান উৰ্দ্ধগামী কৰিবলৈ চিণ্ডিকেটৰদ্বাৰা এইবোৰ সময়ে সময়ে পৰিদৰ্শন কৰাৰ ব্যৱস্থা কৰিব লাগিব।

(৭) প্ৰশাসনীয় নীতি নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ ওপৰত কিছু ক্ষমতা দিয়া হৈছিল। চৰকাৰে চিনেটক এইক্ষেত্ৰত নিৰ্দেশ দিব পাৰে। ১৯০৪ চনৰ বিশ্ববিদ্যালয় আইনমতে চিনেটৰদ্বাৰা নিয়ম নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰে প্ৰয়োজনসাপেক্ষে নিজাকৈ নতুন নীতি নিয়ম সংলগ্ন কৰিব পাৰে নাইবা কোনো নিয়ম বাদ দিব পাৰে। তদুপৰি চিনেট এই দিশত অসফল হ'লে চৰকাৰে নিজা পদক্ষেপ গ্ৰহণ কৰিব পাৰে।

(৮) গৱৰ্ণৰ-জেনেৰেলৰ কাউন্সিল (Governor-General-in Council) বিশ্ববিদ্যালয়ৰ এলেকা নিৰ্ধাৰণৰ দায়িত্বত থাকিব। ইয়াৰ ফলত এখন কলেজ বিশ্ববিদ্যালয়ৰপৰা স্বীকৃতি লাভৰ পাছত আন এখন বিশ্ববিদ্যালয়ৰ অধীনলৈ যাব নোৱাৰিব।

ইম্পিৰিয়েল লেজিচলেটিভ কাউন্সিলত ভাৰতীয় বিশ্ববিদ্যালয় আয়োগে এক তীব্ৰ সমালোচনা তথা বিৰোধীতাৰ সন্মুখীন হৈছিল। কাউন্সিলৰ সদস্য গোপাল কৃষ্ণ গোখ্‌লেই এই দিশত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ভাৰতবৰ্ষত এখন বিশ্ববিদ্যালয় আয়োগ গঠন কৰাটো সকলোৱে মনে প্ৰাণে কামনা কৰিছিল। কিন্তু লৰ্ড কাৰ্জনৰ শিক্ষা সংশোধনীৰ প্ৰস্তাৱৰ ওপৰত সকলোৰে মনত এক শংকাভাৱ বিৰাজ কৰিছিল। ইয়াৰ প্ৰধান কাৰণ আছিল যে চিমলা সন্মিলনত কোনো ভাৰতীয় প্ৰতিনিধিক আমন্ত্ৰণ জনোৱা হোৱা নাছিল। ড. মিলাৰ (Dr Millar) ক সন্মিলনৰ অন্তৰ্ভুক্ত কৰা আৰু ইয়াৰ সিদ্ধান্তসমূহ গোপনে ৰখা বাবেও ভাৰতীয় লোকৰ মনত তীব্ৰ ক্ষোভ জাগ্ৰত হৈছিল। তেওঁলোকৰ এক শংকা আছিল যে চৰকাৰে ভাৰতবৰ্ষৰ শিক্ষাৰ দায়িত্ব ইউৰোপীয়ান শিক্ষাবিদসকলৰ হাতত অৰ্পন কৰিব। কিন্তু এই শংকা পিছলৈ ভিত্তিহীন বুলি প্ৰমাণিত হৈছিল। চিনেটৰ ভাৰতীয় প্ৰতিনিধি ইউৰোপীয়ানসকলতকৈ অধিক হোৱা দেখা গৈছিল। গতিকে বিশ্ববিদ্যালয় আইনৰ ক্ষেত্ৰত ভাৰতীয়লোকৰ বিৰোধীতা অপ্ৰাসংগিক আছিল।

যদিও প্ৰথমতে আয়োগৰ কোনো ভাৰতীয় প্ৰতিনিধি অন্তৰ্ভুক্ত কৰা নাছিল, পিছলৈ ভাৰতীয়সকলৰ তীব্ৰ বিক্ষোভৰ সন্মুখীন হৈ কাৰ্জনে দুজন ভাৰতীয় লোক ন্যায়াধীশ গুৰুদাস বেনাৰ্জী (Justice Gurudas Benarjee) আৰু চৈয়দ হাচান বিলগ্ৰামী (Syed Hassan Bilgrami) ক আয়োগৰ সদস্য হিচাপে অন্তৰ্ভুক্ত কৰি লৈছিল। কিন্তু এই সিদ্ধান্ত তাৎক্ষণিক হোৱা বাবে ভাৰতীয়সকল আয়োগৰ সিদ্ধান্তত একমত হব পৰা নাছিল। তেওঁলোকে শাসকৰ এই সিদ্ধান্ত ক্ষুদ্ৰ দৃষ্টিভংগীৰ, একপক্ষীয় আৰু শাসকীয় চক্ৰান্ত বুলি গণ্য কৰিছিল।

চিনেটৰ সদস্যসকলক নিৰ্বাচন কৰা সিদ্ধান্তক সম্পূৰ্ণৰূপে আদৰণি জনোৱা হৈছিল যদিও নিৰ্বাচিত পদৰ সংখ্যা কম হোৱা বুলি বিবেচনা কৰা হৈছিল। সদস্যসংখ্যা নিৰ্ধাৰিত কৰি দিয়া বাবে ভাৰতীয়সকলে ইউৰোপীয়ান সদস্যৰ প্ৰতিনিধিত্ব বেছি হব পাৰ বুলি আশংকা কৰিছিল। তদুপৰি কলেজ অনুমোদনৰ ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰা বাবে উচ্চ শিক্ষাৰ ক্ষেত্ৰত ব্যক্তিগত প্ৰতিষ্ঠানসমূহৰ উন্নয়নৰ দিশত বাধা আহিব পাৰে বুলি ভয় সোমাইছিল। এই দিশত তীব্ৰ বিক্ষোভৰ ফলত চৰকাৰে চিনেটৰ ওপৰত অধিক কৰ্তৃত্ব খটুৱাবলৈ চেষ্টা কৰিলে। ইয়াৰফলত বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীন কাম-কাজৰ ক্ষেত্ৰত চৰকাৰী নিয়ন্ত্ৰণ বৃদ্ধি পাবলৈ ধৰিলে। ভাৰতীয়সকলৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত কাৰ্জনে গঠন কৰি দিয়া আয়োগৰ বিৰোধীতা কৰাৰ বাবে উৎপত্তি হোৱা খামখেয়ালিবোৰ শেষ হবলৈ এক দীঘলীয়া সময়ৰ প্ৰয়োজন হৈছিল। ১৯০৪ চনৰপৰা আৰম্ভ কৰি এই বিবাদ ১৯২১ চনলৈ দীঘলীয়া সময়ৰ বাবে চলি আছিল।



## সমালোচনা (Criticism) :

ভাৰতীয় উচ্চ শিক্ষাৰ ক্ষেত্ৰলৈ বিশ্ববিদ্যালয় আয়োগে আৰু বিশ্ববিদ্যালয় আইনে এক সুদূৰ প্ৰসাৰী পৰিবৰ্তন আনিবলৈ সক্ষম হৈছিল। উচ্চ শিক্ষাৰ সংস্কাৰৰ বাবে লৰ্ড কাৰ্জনে দুটা নীতি গ্ৰহণ কৰিছিল — (১) নিয়ন্ত্ৰণৰ নীতি আৰু (২) সংকোচনৰ নীতি। কিন্তু দুয়োটা নীতিয়েই জাতীয়তাবাদী ভাৰতীয়সকলৰ চিন্তা-ভাৱনাৰ পৰিপন্থী আছিল। লৰ্ড কাৰ্জনে বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় কাম-কাজত ভাৰতীয় সকলৰ প্ৰভাৱ হ্ৰাস কৰি ব্যক্তিগত প্ৰচেষ্টাত গঢ়ি উঠা দুৰ্বল মহাবিদ্যালয়সমূহৰ স্বীকৃতি বাতিল কৰাৰ চেষ্টা কৰিছিল। নতুন বিশ্ববিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছিল। বিশ্ববিদ্যালয়ে নিজস্ব নীতি নিৰ্ধাৰণত পলম কৰিলে চৰকাৰে তাক নিৰ্ধাৰণ কৰাৰ ক্ষমতা লাভ কৰিছিল যাৰ ফলত বিশ্ববিদ্যালয়ৰ স্বায়ত্ত শাসনৰ নীতি উলংঘা কৰা হৈছিল। ক্ষমতাৰ এনে কেন্দ্ৰীভূতকৰণ নীতিয়ে ভাৰতীয়সকলক কৰি তুলিছিল আৰু তেওঁলোকৰ মনত অসন্তুষ্টিৰ ভাৱ জাগ্ৰত হৈছিল। তদুপৰি এনে নীতিৰ দ্বাৰা কাৰ্জনে দেশৰ জাতীয়তাবাদৰ আন্দোলন নিৰ্মূল কৰিবলৈহে বিচৰা হৈছিল বুলি ঠাৱৰ কৰা হৈছিল। গতিকে উচ্চ শিক্ষাত কাৰ্জনে গ্ৰহণ কৰা এই সংকোচনৰ নীতিৰ ফলত দেশৰ মহাবিদ্যালয়ৰ সংখ্যা প্ৰায় ১০ বছৰলৈ হ্ৰাস হৈ গৈছিল।

অৱশ্যে কাৰ্জনৰ শিক্ষানীতিয়ে উচ্চ শিক্ষাত এক নতুন জাগৰণৰ সৃষ্টি কৰাত যথেষ্ট সফল হৈছিল বুলি পাৰি। আয়োগৰ ইতিবাচক দিশসমূহ ফঁহিয়াই চালে দেখা যায় যে ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ প্ৰশাসন ব্যৱস্থা যথেষ্ট সক্ৰিয় আৰু কাৰ্যক্ষম হৈ পৰিছিল। কাৰ্জন আছিল দৃঢ়মনা আৰু কৰ্তব্যপৰায়ণ আৰু প্ৰজাহিতৈষী দক্ষ প্ৰশাসক। উচ্চ শিক্ষাৰ বিশৃংখলতা আৰু আঁসোৱাহ দূৰ কৰাৰ নিমিত্তে কাৰ্জনে এনেকুৱা নিয়ন্ত্ৰণমূলক ব্যৱস্থা গ্ৰহণ কৰিছিল। ১৯০২ চনৰ আৰু ১৯০৪ চনৰ আইন নাতিয়ে কাৰ্জনক এনে ক্ষমতা প্ৰদান কৰিছিল। যাৰ ফলত বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় সংস্কাৰ কৰাত সফল হৈছিল। চিণ্ডিকেটসমূহক আইনসংগত স্বীকৃতি প্ৰদান কৰা হৈছিল আৰু চিনেটৰ সদস্যসংখ্যা নিৰ্ধাৰণ কৰি দিয়াৰ লগতে কাৰ্যকালত ৫ বছৰীয়া কৰিছিল। বিশ্ববিদ্যালয়ৰ পুথিভঁৰালসমূহো ভালদৰে গঢ় দি তোলা হৈছিল। বিশ্ববিদ্যালয়ৰ শিক্ষাদান ব্যৱস্থাৰো উন্নতি সাধন হৈছিল। যিবোৰ মহাবিদ্যালয়ৰ প্ৰশাসনিক ব্যৱস্থা দুৰ্বল হৈ আছিল, সেইবোৰ উন্নত কৰাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰা হৈছিল। বিশ্ববিদ্যালয়বোৰ কেৱল পৰীক্ষা লোৱা অনুষ্ঠানতে আৱদ্ধ নাথাকি শিক্ষাদানৰ কেন্দ্ৰস্বৰূপ হিচাপে গঢ় লৈ উঠিছিল। শ্ৰেণীকক্ষ, ছাত্ৰাবাস আদিৰ ব্যৱস্থাও কৰা হৈছিল। আৰম্ভণিতে আয়োগৰ পৰামৰ্শাৱলীৰ ভিত্তিত ব্যক্তিগত শিক্ষানুষ্ঠান সমূহলৈ সংকটলৈ আহিব বুলি ভবা হৈছিল, কিন্তু পৰবৰ্তী সময়ত সি অমূলক হিচাপে পৰিগণিত হৈছিল। আয়োগৰ পৰামৰ্শ অনুযায়ী মহাবিদ্যালয়সমূহে অনুমোদন প্ৰদান কৰা ব্যৱস্থা কঠোৰ হোৱাৰ ফলত স্বীকৃতিপ্ৰাপ্ত সংখ্যা হ্ৰাস পালেও ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আশানুৰূপভাৱে বৃদ্ধি

হৈছিল। মহাবিদ্যালয়ৰ শৈক্ষিক মানদণ্ড উন্নত হোৱাত ছাত্ৰ-ছাত্ৰী আকৰ্ষিত হোৱা পৰিলক্ষিত হৈছিল। চৰকাৰে উচ্চ শিক্ষাৰ বাবে ৫,০০,০০০ কোটি টকা অনুদান আগবঢ়াইছিল। গতিকে কাৰ্জনে উচ্চ শিক্ষাত এক বলিষ্ঠ ভূমিকা পালন কৰিছিল।

আয়োগৰ পৰামৰ্শৰ ভিত্তিত যদিও ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ অৱস্থা শীৰ্ষ পৰ্যায়ত আৰোহন কৰা নাছিল তথাপিও ইয়াৰ ফলস্বৰূপে ভাৰতবৰ্ষৰ উচ্চ শিক্ষাব্যৱস্থা এক নিৰ্ধাৰিত পৰ্যায় পাইছিল। সেই সময়ত নতুন অধিক বিশ্ববিদ্যালয়ৰ প্ৰয়োজন অনুভৱ কৰা হৈছিল, কিন্তু এইক্ষেত্ৰত বিশেষ উদ্যোগ গ্ৰহণ কৰা দেখা যোৱা নাছিল। তদুপৰি উচ্চ শিক্ষাৰ ওপৰত চৰকাৰী নিয়ন্ত্ৰণ অধিক বৃদ্ধি হৈছিল যাৰবাবে কলিকতা বিশ্ববিদ্যালয় আয়োগে (Calcutta University Commission) ভাৰতীয় বিশ্ববিদ্যালয়ক চৰকাৰী বিশ্ববিদ্যালয় হিচাপে অভিহিত কৰিছিল।

লৰ্ড কাৰ্জনে বৃত্তিমূলক আৰু কৃষিবিষয়ক শিক্ষাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ নেতৃত্বতে ভাৰতবৰ্ষত কৃষিৰ বাবে এটা সুকীয়া বিভাগ স্থাপন কৰা হৈছিল। তদুপৰি কৃষিৰ ওপৰত প্ৰশিক্ষণ প্ৰদানৰ বাবে পুছাত (Pusa) এখন কেন্দ্ৰীয় কৃষি গৱেষণাগাৰ (Central Research Institute) স্থাপন কৰে। তেওঁ প্ৰত্যেক প্ৰদেশতে একোখনকৈ কৃষি কলেজ স্থাপন হোৱাটো বিচাৰিছিল আৰু এই কলেজসমূহত প্ৰয়োজনীয় যন্ত্ৰপাতি আৰু উপযুক্ত শিক্ষক নিয়োগ কৰিবলৈ পৰামৰ্শ দিছিল। ইয়াৰ উপৰিও মজলীয়া আৰু উচ্চ বিদ্যালয়সমূহত কৃষিবিষয়ক পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিবলৈ পৰামৰ্শ দিছিল। বিদেশত উচ্চ শিক্ষাৰ ক্ষেত্ৰত প্ৰশিক্ষণ লাভ কৰি নতুন প্ৰযুক্তিসম্বন্ধে জ্ঞান আহৰণ কৰিবলৈ ভাৰতীয় ছাত্ৰ-ছাত্ৰীক জলপানি দি বিদেশলৈ পঠোৱাৰ বাবে অনুমতি প্ৰদান কৰিবলৈ অধিক পুঁজি আৱন্টন দিয়াৰ ওপৰত গুৰুত্ব দিছিল। লৰ্ড কাৰ্জনে কলা বিষয়ক অগ্ৰাধিকাৰ দিবলৈ কলা -বিদ্যালয়সমূহক (Shcool of Arts) অনুমোদন দিয়াৰ ওপৰত গুৰুত্ব দিছিল।

এনেদৰে লৰ্ড কাৰ্জনে শিক্ষাৰ ওপৰত যথেষ্ট সংস্কাৰ সাধন কৰিবলৈ প্ৰয়াস কৰিছিল। নাৰী শিক্ষাৰ উন্নীতকৰণ, নৈতিক শিক্ষা প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীৰ নৈতিক বিকাশ সাধন কৰা, পুৰাতত্ত্ব বিভাগ সুকীয়াকৈ স্থাপন কৰা ইত্যাদিৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছিল।

**বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ বাবে গোখ্‌লেইৰ বিল (Gokhale's Bill for Compulsory Primary Education) :**

লৰ্ড কাৰ্জনৰ পৰামৰ্শাৱলীৰ ফলস্বৰূপে চৰকাৰে ১৯০৪ চনত গ্ৰহণ কৰা প্ৰাথমিক শিক্ষাৰ নীতিয়ে দেশত প্ৰাথমিক স্কুলৰ সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি কৰিলে। কিন্তু জনসংখ্যা বৃদ্ধিৰ ফলস্বৰূপে প্ৰাথমিক শিক্ষাৰ প্ৰয়োজন যথেষ্ট পৰিমাণে বৃদ্ধি পালে। স্বদেশী আন্দোলনে সাধাৰণ জনগণৰ মাজত প্ৰাথমিক শিক্ষাৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কত বিস্তৃত জাগৰণৰ সৃষ্টি কৰিবলৈ সক্ষম হ'ল। সেই সময়তে লেজিচলেটিভ কাউন্সিলৰ সদস্য গোপালকৃষ্ণ গোখ্‌লেই চৰকাৰ আৰু জনগণ উভয়ৰে দৃষ্টি আকৰ্ষণ



কৰি বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ দিশত মত পোষণ কৰে। তেখেতে কৈছিল যে অশিক্ষিত আৰু অনাখৰী ব্যক্তিৰদ্বাৰা এখন দেশৰ সভ্যতা সংস্কৃতি আগবাঢ়ি যাব নোৱাৰে। গতিকে দেশৰ সকলো জনগণক শিক্ষিত কৰিবলৈ চৰকাৰে বাধ্যাতামূলক শিক্ষা প্ৰদান কৰিব লাগিব। ১৯০৬ চনত বৰোডাৰ ৰজাই তেওঁৰ ৰাজ্যত বাধ্যতামূলক শিক্ষা প্ৰবৰ্তন কৰে। দেশৰ আন আন ৰাজ্যতো এই দিশত দৃষ্টি আকৰ্ষিত হয়। ইংৰাজ চৰকাৰ এই দিশত অলপো আগ্ৰহী নাছিল। আনহাতে ১৮৭০ চনতেই প্ৰাথমিক শিক্ষাৰ গুৰুত্ব বুজি ব্ৰিটিছসকলে ইংলেণ্ডত বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন প্ৰবৰ্তন কৰিছিল। ভাৰতৰ শিক্ষাৰ ইতিহাসত গোপাল কৃষ্ণ গোখলে এজন স্মৰণীয় ব্যক্তি। বিশেষকৈ ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত গোখলেই আছিল বাটকটীয়া। তেওঁ সেই সময়ৰ ভাৰতীয় জাতীয়তাবাদী শিবিৰৰ জাতীয় সচেতনতাৰ আন্দোলনৰো এজন সক্ৰিয় সদস্য আছিল। ফাৰ্গুচন কলেজৰ অধ্যাপক আৰু অধ্যক্ষ গোখলেই ১৯০৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰো সভাপতি আছিল। সেই সময়ত ভাৰতৰ জাতীয় আন্দোলনৰ নেতা সকলে বাৰুকৈয়ে উপলব্ধি কৰিছিল যে ভাৰতীয় মানুহৰ স্বাক্ষৰতা তথা শিক্ষা অবিহনে জাতীয় আন্দোলনৰ সফলতা তথা ভাৰতৰ উন্নতি অসম্ভৱ। তাৰ বাবে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ হ'কে দেশত প্ৰবল জনমতৰ সৃষ্টি হয়। এইখিনি সময়তেই লৰ্ড কাৰ্জনে ভাৰতৰ মানুহৰ শিক্ষাৰ হ'কে বহুতো আঁচনি গ্ৰহণ কৰে যদিও সেইবোৰৰ সুফল সকলো জনসাধাৰণেই লাভ কৰা পৰিলক্ষিত নহ'ল। জাতীয় আন্দোলনৰ নেতৃত্বইও ইয়াক ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বুলি অভিহিত কৰে।

দুৰ্ভাগ্যৰ কথা যে ইংলেণ্ডত ১৮৭০ চনতেই ফ'ষ্টাৰ আইনৰ যোগে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰা হৈছিল যদিও ভাৰতবৰ্ষত কুৰি শতিকাৰ আৰম্ভণিলৈ ইংৰাজ প্ৰশাসনে এই ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ নকৰিলে। ইয়াৰ পৰিবৰ্তে আমাৰ দেশৰ বৰোদা ৰাজ্যৰ ৰজা চিয়াজীৰাও গেকৱাদে তেওঁৰ নিজ ৰাজ্যত ১৯০৬ চনতেই প্ৰাথমিক শিক্ষা বাধ্যতামূলক আৰু বিনামূলীয়া কৰি তোলে। এনেবোৰ ঘটনাই ১৯০২ চনত বৃটিছ ইম্পিৰিয়েল লেজিচলেটিভ কাউঞ্চিলৰ সদস্য হোৱা গোপাল কৃষ্ণ গোখলেক উদ্বুদ্ধ কৰি তোলে। এই সকলোবোৰ দিশৰ প্ৰতি চকু ৰাখি গোপালকৃষ্ণ গোখলেই কাউন্সিলত এখন বিল উত্থাপন কৰে। ১৯১০ চনৰ ১৯ মাৰ্চত গোখলেই ইম্পেৰিয়েল লেজিচলেটিভ কাউঞ্চিলত এটা প্ৰস্তাৱ উত্থাপন কৰে। সেইটো আছিল — "এই পৰিষদে এই বুলি অনুমোদন জনায় যে সমগ্ৰ দেশতে প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ উদ্দেশ্য লৈ কাম আৰম্ভ কৰা উচিত আৰু নিৰ্দ্দিষ্ট প্ৰস্তাৱসমূহ প্ৰস্তুত কৰিবলৈ অতি সোনকালে চৰকাৰী আৰু বেচৰকাৰী সদস্যৰ এক মিশ্ৰিত আয়োগ গঠন কৰিব লাগে।"

(Thus this council recommends that a beginning should be made in the direction of making elementary education free and compulsory throughout the country and that

a mixed commission of officials and non-officials be appointed at an early date to frame definite proposals.) বিলখনৰ প্ৰস্তাৱসমূহ তলত দিয়াধৰণে উল্লেখ কৰিব পাৰি ঃ

(১) ভাৰতবৰ্ষত ৬—১০ বছৰ বয়সলৈ ল'ৰা-ছোৱালীৰ বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলকভাৱে প্ৰবৰ্ত্তন কৰিব লাগে।

(২) যিবোৰ অঞ্চলত ৩৩ শতাংশ ল'ৰাই শিক্ষালাভ কৰি আছে তেনে অঞ্চলত এই আইন বিশেষভাৱে প্ৰণয়ন কৰিব লাগে।

(৩) শিক্ষাৰ খৰচৰ ক্ষেত্ৰত স্থানীয় কৰ্তৃপক্ষই ১ শতাংশ আৰু প্ৰাদেশিক চৰকাৰে ২ শতাংশ বহন কৰিব লাগিব। অৰ্থাৎ প্ৰাথমিক শিক্ষাৰ খৰচৰ ক্ষেত্ৰত ১:২ শতাংশ উভয় পক্ষই গ্ৰহণ কৰিব লাগিব।

(৪) শিক্ষাৰ বাবে এটা সুকীয়া বিভাগ খুলি কেইজনমান সদস্যক লৈ এজন সচিব পৰ্যায়ৰ মুৰব্বী কাৰ্য নিৰ্বাহক পৰিষদৰ পৰা নিযুক্তি দিব লাগে। বিভাগে প্ৰাথমিক শিক্ষা খৰচ সম্পৰ্কীয় যাবতীয় এখন বাজেট প্ৰস্তুত কৰিব। ইয়াৰ উপৰিও প্ৰাথমিক শিক্ষাৰ অগ্ৰগতি সম্পৰ্কে খতিয়ান দাঙি ধৰিব লাগিব।

(৫) প্ৰাথমিক শিক্ষা বিস্তাৰৰ দায়িত্ব অকল প্ৰাদেশিক চৰকাৰৰ ওপৰতে ন্যস্ত নকৰি কেন্দ্ৰীয় চৰকাৰেও ইয়াৰ দায়িত্ব বহন কৰিব লাগে।

গোখলেৰ বিলৰ ওপৰত চৰকাৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশ্বাস দিয়ে। গতিকে তেওঁ প্ৰস্তাৱটো উঠাই লয়। তেতিয়ালৈকে চৰকাৰে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নাছিল। ১৯০১ চনত ভাৰত চৰকাৰৰ অধীনত এটা সুকীয়া শিক্ষাবিভাগ গঠন কৰা হয়। কিন্তু শিক্ষাৰ দায়িত্ব তেতিয়ালৈকে প্ৰাদেশিক চৰকাৰৰ হাততেই ন্যস্ত আছিল। ১৯১০ চনৰ আগলৈকে শিক্ষাৰ দায়িত্ব গৃহ বিভাগৰ ওপৰত ন্যস্ত আছিল। নতুনকৈ স্থাপন হোৱা শিক্ষা বিভাগৰ লগত ভূমি আৰু স্বাস্থ্য বিভাগেও আংশিকভাৱে অংশ গ্ৰহণ কৰিলে।

## ১৯১১ চনৰ গোখলেৰ বিল (Gokhale's Bill of 1911) :

বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰবৰ্ত্তনৰ দিশত গোখলেই আগবঢ়োৱা প্ৰস্তাৱৰ ওপৰত বিবেচনা কৰি চোৱাৰ আশ্বাস দিয়াৰ পিছতো কাৰ্যকৰীভাৱে চৰকাৰে কোনো সিদ্ধান্ত গ্ৰহণ নকৰাৰ পৰিপ্ৰেক্ষিতত গোখলেই পুনৰবাৰ ১৯১১ চনৰ ১৬ মাৰ্চত এখন ঐতিহাসিক প্ৰাথমিক শিক্ষা বিল উত্থাপন কৰে। গোখলেই অতি সৰল আৰু সাৱলীলভাৱে কাউন্সিলত এই বিলখন উত্থাপন কৰিছিল। বিলখনৰ মূল উদ্দেশ্য আছিল যে দেশত প্ৰাথমিক শিক্ষাৰ বাধ্যতামূলক প্ৰণয়নৰ নীতিৰ দিশত ক্ৰমাগতভাৱে আগবাঢ়ি যাব লাগিব। (To provide for the gradual introduction of the principle of compulsion into the primary education system of the country.)



এই বিলখনৰ মূল দফাসমূহ আছিল এনেধৰণৰ ঃ

(১) এক নিৰ্দিষ্ট শতাংশ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষালাভ কৰি থকা অঞ্চলত বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন প্ৰথমে কাৰ্যকৰী কৰা হব।

(২) বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন প্ৰণয়নৰ বাবে অঞ্চলসমূহত কিমান শতাংশ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰিব লাগিব সেইটো গৱৰ্ণৰ-জেনেৰেলৰ কাউন্সিলে (Governor-General-in-council) সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব।

(৩) প্ৰাদেশিক চৰকাৰৰ আগতীয়া অনুমোদনসাপেক্ষে স্থানীয় কৰ্তৃপক্ষই বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন প্ৰণয়নৰ দিশত সম্পূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব।

(৪) স্থানীয় কৰ্তৃপক্ষই শিক্ষাৰ ওপৰত এক নিৰ্দিষ্ট কৰ লগাব পাৰিব (Levy educational cess) প্ৰয়োজনসাপেক্ষে এই সিদ্ধান্ত কাৰ্যকৰী কৰিব পাৰিব।

(৫) প্ৰত্যেক অভিভাৱকে ৬—১০ বছৰ বয়সৰ ল'ৰা-ছোৱালীক ওচৰৰ প্ৰাথমিক স্কুললৈ পঠিয়াব লাগিব। এই কাৰ্য বাধ্যতামূলক হিচাপে গণ্য কৰা হব।

(৬) যদিহে অভিভাৱকে তেওঁলোকৰ ল'ৰা-ছোৱালীক স্কুললৈ ঠিকমতে পঠিয়াব নোৱাৰে তেন্তে তেওঁলোকক শাস্তি বিহাৰ ব্যৱস্থা থাকিব লাগিব।

(৭) বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ বাবে প্ৰয়োজনীয় মুঠ ধনৰ দুই-তৃতীয়াংশ প্ৰাদেশিক চৰকাৰে বহন কৰিব লাগিব।

(৮) প্ৰথম অৱস্থাত প্ৰাথমিক শিক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীৰপৰা কিছু পৰিমাণে মাচুল লোৱা হব যদিও দুখীয়া ছাত্ৰ-ছাত্ৰীক ইয়াৰপৰা ৰেহাই দিয়া হব।

(৯) স্কুলৰ ছাত্ৰ-ছাত্ৰী নিয়মীয়াকৈ উপস্থিত থাকে নে নাই সেইটো নিৰ্ধাৰণ কৰিবলৈ স্থানীয় লোকক লৈ এখন স্কুল উপস্থিতি কমিটি গঠন কৰি দিয়া হব।

(১০) শিক্ষা বিভাগে স্কুলৰ সময় আৰু উপস্থিতি নিৰ্ণয় কৰি দিব আৰু স্থানীয় কৰ্তৃপক্ষই স্কুলবোৰক অনুমোদন আৰু স্বীকৃতি প্ৰদান কৰিব।

বিলখন প্ৰস্তুত কৰা হোৱাৰ পিছত স্থানীয় কৰ্তৃপক্ষ, বিশ্ববিদ্যালয় আৰু বেচৰকাৰী কৰ্তৃপক্ষলৈ অনুমোদনৰ বাবে পঠিয়াই মতামত জনাবলৈ কোৱা হ'ল। লেজিচ্লেটিভ্ কাউন্সিলত দুদিন ধৰি চলা তুমুল বাক-বিতণ্ডাৰ অন্তত অৱশেষত ভোটদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হ'ল। অৱশেষত ৩৮ টা ভোট বিলখনৰ বিপক্ষে আৰু ১৩ টা ভোট সপক্ষে পৰাৰ ফলস্বৰূপে অগ্ৰাহ্য কৰা হ'ল। অধিকাংশ বিৰোধীতা চৰকাৰী চাকৰিয়াল আৰু কিছু ভূমালিকৰ পৰা আহিছিল। তেওঁলোকে ব্ৰিটিছ চাহাবসকলক সন্তুষ্ট কৰিবৰ বাবে এই ঐতিহাসিক বিলখনৰ বিপক্ষে ভোট প্ৰদান কৰে। বিলখনৰ বিপক্ষে দিয়া মতামতসমূহ অৰ্থহীন আৰু অযুক্তিকৰ আছিল। বিলখন অগ্ৰাহ্য কৰাৰ কাৰণ সন্দৰ্ভত নিম্নোক্ত যুক্তিসমূহ দাঙি ধৰা হৈছিল ঃ

(১) প্ৰথমতে, প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ যুক্তি ভাৰতীয়সকলৰ বাবে অপৰিপক্ক আৰু অপ্ৰয়োজনীয় আছিল।

(২) বাধ্যতামূলক শিক্ষা প্ৰণয়নৰ বাবে ভাৰতীয় জনসাধাৰণৰ ফালৰ পৰা কোনোধৰণৰ দাবী উত্থাপন কৰা হোৱা নাছিল।

(৩) প্ৰাদেশিক চৰকাৰসমূহেও বাধ্যতামূলক শিক্ষা প্ৰণয়নৰ বাবে কোনোধৰণৰ দাবী নাইবা সমৰ্থন আগবঢ়োৱা নাছিল।

(৪) শিক্ষিত শ্ৰেণীৰ লোক এই বিলখনৰ বিপক্ষে আছিল। তেওঁলোকৰ মতে স্থানীয় কৰ্তৃপক্ষই শিক্ষাৰ ওপৰত অতিৰিক্ত কৰ ধাৰ্য কৰিব নোৱাৰিব।

(৫) স্থানীয় কৰ্তৃপক্ষই অতিৰিক্ত শিক্ষকৰ ধাৰ্য কৰিলে প্ৰাথমিক শিক্ষাৰ সংগঠন আৰু প্ৰশাসনৰ দিশত বিভিন্ন খেলিমেলিৰ সৃষ্টি হ'ব।

(৬) প্ৰাথমিক শিক্ষা স্বেচ্ছামূলকভাৱে সম্প্ৰসাৰণ কৰিব পৰা যায়। প্ৰয়োজন হ'লে ইয়াৰ বাবে সহায়ক অনুদানৰ ব্যৱস্থা কৰিব পৰা যায়।

বিলখনৰ পৰিণাম সম্পৰ্কে আগতীয়াকৈ অৱগত হোৱা বাবে গোখ্‌লেই এইখন অগ্ৰাহ্য হোৱাত অলপো হতাশ হোৱা নাছিল। তেওঁ পুনৰবাৰ এইখন ১৫ জনীয়া নিৰ্বাচক কমিটি (Select Committee) লৈ প্ৰেৰণ কৰিলে যদিও সেইটোও অথলে গ'ল। চাৰ হাৰক'ৰ্ট বাটলাৰ (Sir Harcourt Butler) নামৰ চৰকাৰী মুখপাত্ৰজন এই বিলৰ প্ৰধান বিৰোধী আছিল। তেখেতৰ মতে ভাৰতবৰ্ষৰ তেনে এক সংশোধনৰ বাবে সাজু হৈ উঠা নাছিল। বিলখনৰ সপক্ষে গোখ্‌লেই তীক্ষ্ণ যুক্তি আগবঢ়াইছিল যদিও ই পৰাস্ত হ'ল। ইয়াক গৌৰবময় পৰাজয় বুলি গণ্য কৰা হ'ল।

## গোখ্‌লেইৰ বিলৰ প্ৰভাৱ (Impact of Gokhale's Bill) :

যদিও গোখ্‌লেৰ বিলখন আইন সভাত অগ্ৰাহ্য কৰা হ'ল, তথাপিও চৰকাৰ এই দিশত সজাগ হোৱা যেন লাগিল। বিলখনৰ পৰিণাম স্বৰূপে অধিকাংশ ভাৰতীয় লোকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰৱৰ্তনৰ প্ৰয়োজনীয়তা সম্পৰ্কে অৱগত হ'ল। কেন্দ্ৰীয় চৰকাৰৰ অধীনত এটা শিক্ষা বিভাগ স্থাপন কৰা হ'ল। দেশত প্ৰাথমিক শিক্ষাৰ বাবে এক তীব্ৰ জনজাগৰণৰ সৃষ্টি হ'ল। ১৯১২ চনত নতুনকৈ গঠিত উত্তৰ-পশ্চিম সীমান্তত (North-Western Frontier Province) প্ৰাথমিক শিক্ষা বিনামূলীয়া কৰা হ'ল। যুক্তৰাজ্যিক প্ৰদেশ, পাঞ্জাৱ, অসম আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশত অতি নগন্য পৰিমাণৰ মাচুল গ্ৰহণেৰে প্ৰাথমিক শিক্ষা বিনামূলীয়া কৰাৰ উদ্যোগ গ্ৰহণ কৰা হ'ল।



## ১৯১৩ চনৰ ভাৰত চৰকাৰৰ প্ৰস্তাৱ (Rosolution of Government of India of 1913)

গোখ্‌লেইৰ বিলখন ভাৰতীয় শিক্ষানীতিৰ প্ৰৱৰ্তনৰ বাবে মূল কাৰক হিচাপে নিৰ্ধাৰণ কৰিব পৰা যায়। এই বিলখনৰ ফলস্বৰূপে ভাৰতীয় জাতীয় চেতনা অধিক জাগ্ৰত হৈ উঠে। প্ৰাথমিক শিক্ষাৰ বাবে নতুন নতুন দাবী উত্থাপন কৰা হ'ল। চৰকাৰেও এই ক্ষেত্ৰত কিছু গ্ৰহণীয় পদক্ষেপ ললে। তেওঁলোকে ভাৰতবৰ্ষৰ শিক্ষানীতি সংশোধন কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলে। গোখ্‌লেৰ বিলখনৰ ওপৰত আলোচনা চলি থকাৰ সময়তে ইংলেণ্ডৰ ৰজা পঞ্চম জৰ্জ (George-V) ভাৰতবৰ্ষলৈ আহে। তেওঁ ভাৰতবৰ্ষৰ প্ৰতিখন ঘৰত শিক্ষাৰ পোহৰ দেখিবলৈ আকাংক্ষিত হৈছিল। দিল্লীৰ দৰবাৰলৈ ৰজাই ৫০ লাখ টকাৰ অতিৰিক্ত সাহাৰ্য্য আগবঢ়ায়। ৰজাৰ ৰাজকোষৰপৰা আগবঢ়োৱা এই ধন একমাত্ৰ ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষাৰ শিতানত খৰচ কৰিবলৈ পৰামৰ্শ দিয়ে। তদুপৰি গোখ্‌লেৰ বিলখন কি কাৰণত অগ্ৰাহ্য কৰা হ'ল তাৰ কৈফিয়ৎ দিবলৈও কোৱা হ'ল। ইয়াৰ পৰিণামস্বৰূপে শিক্ষাৰ স্পষ্ট নীতি ঘোষণা কৰিবলৈ বাধ্য কৰোৱা হ'ল। ১৯১৩ চনৰ ২১ ফেব্ৰুৱাৰীত চৰকাৰৰ ফালৰপৰা ভাৰতীয় শিক্ষানীতিৰ ওপৰত এটা প্ৰস্তাৱ গ্ৰহণ কৰি প্ৰকাশ কৰা হয়। এইখনেই হৈছে ১৯১৩ চনৰ বিখ্যাত চৰকাৰী প্ৰস্তাৱ। ইয়াত শিক্ষাৰ প্ৰায় প্ৰতিটো স্তৰ অন্তৰ্ভুক্ত কৰা হয়—প্ৰাথমিক, মাধ্যমিক, বিশ্ববিদ্যালয়, কৃষি, বন, আইন, চিকিৎসা, কাৰিকৰী, বাণিজ্য আৰু পশুপালন শিক্ষা সাঙুৰি লোৱা হয়।

## প্ৰাথমিক শিক্ষা (Primary Education)

(১) প্ৰাথমিক শিক্ষা জনসাধৰণৰ মাজত সম্প্ৰসাৰণৰ বাবে চৰকাৰ ইচ্ছুক। প্ৰয়োজনসাপেক্ষে প্ৰাথমিক শিক্ষা বিস্তাৰ কৰিবলৈ অধিক সহায়ক অনুদান আগবঢ়োৱা হব।

(২) প্ৰাথমিক শিক্ষাৰ গুণগত মান উন্নয়নৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(৩) প্ৰাথমিক স্তৰত শিক্ষাদান প্ৰক্ৰিয়া উন্নত কৰিবৰ বাবে কিছুমান বিশেষ ব্যৱস্থা হাতত লোৱা হ'ব। সেইবোৰ হ'ল ঃ

(i) দেশীয় প্ৰাথমিক স্কুল সম্প্ৰসাৰণৰ বাবে অধিক উৎসাহ যোগোৱা হব।

(ii) শিক্ষাদানৰ মানদণ্ড উন্নত কৰিবলৈ শিক্ষকসকলক প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হব।

(iii) ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন আৰু অভিৰুচি পূৰণৰ বাবে পাঠ্যক্ৰম বিস্তৃত কৰা হব।

(iv) শিক্ষকসকলক শিক্ষাদানৰ বাবে আগ্ৰহী কৰিবলৈ পৰ্যাপ্ত পৰিমাণে সা-সুবিধাৰ ব্যৱস্থা কৰা হব। তদুপৰি দৰমহা, বানচ, আদি উপযুক্ত পৰিমাণে প্ৰদান কৰা হব।

(v) স্কুললৈ ছাত্ৰ-ছাত্ৰী আকৰ্ষিত কৰিবলৈ স্কুলৰ পৰিবেশ উন্নত কৰাৰ লগতে গৃহ, আচবাব-পত্ৰ আদি প্ৰয়োজনীয় পৰিমাণে যোগান ধৰা হ'ব।

(vi) নিম্ন প্ৰাথমিক স্কুলত লিখা-পঢ়া, অংক কৰা, চিত্ৰাংকন, শৰীৰ-চৰ্চা, প্ৰকৃতি অধ্যয়ন, ইত্যাদি বিষয় অন্তৰ্ভুক্ত কৰিব লাগে।

(vii) প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ দৰমহা মাহিলী ১২ টকাতকৈ কম হ'ব নালাগিব।

(viii) স্কুলত প্ৰতিটো শ্ৰেণীতে ছাত্ৰ-শিক্ষকৰ অনুপাত ১:৫০ তকৈ বেছি হ'ব নোৱাৰিব।

(ix) প্ৰাথমিক শিক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে মাচুল প্ৰদান কৰিব লাগিব, কিন্তু দুখীয়া ছাত্ৰ-ছাত্ৰীক ইয়াৰপৰা ৰেহাই দিয়া হ'ব।

## মাধ্যমিক শিক্ষা (Secondary Education) :

(১) মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে শিক্ষাৰ দায়িত্বৰপৰা সম্পূৰ্ণৰূপে অব্যাহতি লব নালাগে।

(২) বিশ্ববিদ্যালয়ে মাধ্যমিক শিক্ষাৰ দায়িত্বৰপৰা সম্পূৰ্ণৰূপে আতৰি আহিব লাগে। মাধ্যমিক স্কুলক স্বীকৃতি প্ৰদানৰ দায়িত্ব একমাত্ৰ শিক্ষা বিভাগৰ ওপৰত ন্যস্ত থাকিব লাগে।

(৩) মাধ্যমিক শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ বাবে সময়ে সময়ে স্কুলসমূহ পৰিদৰ্শনৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাবে পৰিদৰ্শক নিযুক্তি দিব লাগে।

(৪) মাধ্যমিক স্কুলৰ পাঠ্যক্ৰম সম্প্ৰসাৰণ আৰু বিস্তৃত কৰিব লাগে। ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন আৰু আগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰি বিষয় অন্তৰ্ভুক্ত কৰিব লাগে।

(৫) মাধ্যমিক শিক্ষাৰ উদ্দেশ্য একমাত্ৰ ছাত্ৰ-ছাত্ৰীক কলেজীয়া শিক্ষাৰ বাবে প্ৰস্তুতকৰণ কৰা উচিত নহয়। শিক্ষা লাভৰ পাছত তেওঁলোকে যাতে নিজকে জীৱনৰ বাবে প্ৰস্তুত কৰিব পাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(৬) মাধ্যমিক শিক্ষাৰ পৰীক্ষা পদ্ধতি সংস্কাৰ সাধন কৰিব লাগে। একমাত্ৰ পৰীক্ষা পাছেই ইয়াৰ লক্ষ্য হোৱা উচিত নহয়।

(৭) মাধ্যমিক শিক্ষা সম্প্ৰসাৰণৰ দায়িত্ব বেচৰকাৰী অনুষ্ঠানসমূহক এৰি দিয়াৰ লগতে চৰকাৰে এই অনুষ্ঠানসমূহক প্ৰয়োজনীয় সাহায্য প্ৰদান কৰিব লাগে।

## বিশ্ববিদ্যালয় শিক্ষা (University Education) :

(১) নতুন আৰ্হিৰ বিশ্ববিদ্যালয় ভবিষ্যতে স্থাপন কৰা হ'ব। পুৰণি বিশ্ববিদ্যালয়ৰ সংস্কাৰ সাধন কৰা হ'ব।

(২) বিশ্ববিদ্যালয়ৰ দায়িত্ব একমাত্ৰ শিক্ষা আৰু পৰীক্ষা ব্যৱস্থাতে আবদ্ধ নাৰাখি শিক্ষাদান আৰু আবাসিক উভয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(৩) দেশৰ প্ৰত্যেক প্ৰদেশতে একোখনকৈ বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব।

(৪) প্ৰচলিত বিশ্ববিদ্যালয়কেইখনৰ শিক্ষাদানৰ কাৰ্যসূচী বিস্তৃত কৰা হ'ব।

(৫) মফঃচলীয় অঞ্চলৰ কলেজসমূহ প্ৰয়োজনসাপেক্ষে বিশ্ববিদ্যালয়লৈ উন্নীত কৰা হ'ব।



## স্ত্ৰী-শিক্ষা (Women Education)

(১) স্ত্ৰী-শিক্ষাৰ বাবে অধিক সা-সুবিধা প্ৰদান কৰা হ'ব আৰু প্ৰয়োজনসাপেক্ষে ল'ৰা আৰু ছোৱালীৰ বাবে পৃথক শিক্ষাদানৰ ব্যৱস্থা কৰা হ'ব।

(২) পাঠ্যক্ৰমত ছোৱালীবোৰৰ বাবে সুকীয়া আৰু ব্যৱহাৰিক বিষয় অন্তৰ্ভুক্ত কৰা হ'ব।

(৩) মহিলাৰ বাবে পৰীক্ষা ব্যৱস্থা অধিক গুৰুত্বপূৰ্ণ হিচাপে গণ্য কৰা নহ'ব।

(৪) স্ত্ৰীসকলক শিক্ষাৰ প্ৰতি আগ্ৰহী কৰিবলৈ মহিলা শিক্ষয়িত্ৰী আৰু পৰিদৰ্শক অধিক পৰিমাণে নিযুক্তি দিব লাগিব।

১৯১৩ চনৰ ভাৰত চৰকাৰৰ প্ৰস্তাৱত অধিক মূল্যবান দিশ সন্নিবিষ্ট কৰা হৈছিল। বিশেষকৈ মাধ্যমিক আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাত নতুন নীতি গ্ৰহণ কৰাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। কিন্তু দুৰ্ভাগ্যবশতঃ কাৰ্যক্ষেত্ৰত ইয়াৰ প্ৰভাৱ দেখা পোৱা নগল। সেই সময়ত ১৯১৪-১৯১৮ চনলৈ প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ পৰিপ্ৰেক্ষিতত এই নীতিসমূহ কাৰ্যক্ষেত্ৰত পৰিণত নহ'ল। এইখন এখন প্ৰস্তাৱ আকাৰেহে ঐতিহাসিক সাক্ষী হৈ ৰ'ল।

## অসম প্ৰাথমিক শিক্ষা আইন, ১৯২৬ (Assam Primary Education Act, 1926)

সমগ্ৰ ভাৰতবৰ্ষজুৰি প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ বাবে আৰম্ভ হোৱা আন্দোলনে অসমকো প্ৰভাৱিত কৰে। তাৰেই ফলশ্ৰুতিত ১৯২৬ চনত প্ৰথম অসম প্ৰাথমিক শিক্ষা আইন প্ৰণয়ন কৰা হয়। এই আঁচনিৰ প্ৰধান ধাৰাসমূহ তলত উল্লেখ কৰা হ'ল —

(১) এই আইনখন সমগ্ৰ অসমতে প্ৰযোজ্য হ'ব।

(২) স্থানীয় কৰ্তৃপক্ষই ইয়াৰ দুই-তৃতীয়াংশ সদস্যৰ সমৰ্থনত নিজ এলেকাৰ সমগ্ৰ বা কোনো অংশত বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিব।

(৩) বাধ্যতামূলক প্ৰাথমিক শিক্ষা ৬ বছৰৰ পৰা ১১ বছৰৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

(৪) স্থানীয় কৰ্তৃপক্ষই ইয়াৰ প্ৰস্তাৱ, সংশোধনী আদি সমূহ চৰকাৰ বিবেচনাৰ বাবে প্ৰেৰণ কৰিব।

(৫) স্থানীয় কৰ্তৃপক্ষই বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ বাবে হ'ব লগা অতিৰিক্ত খৰছৰ আনুমানিক হিচাপ আৰু তাৰ সংগ্ৰহৰ উপায় তথা বৰ্তমান খৰছৰ এক খতিয়ান চৰকাৰৰ ওচৰত দাখিল কৰিব লাগিব।

(৬) স্থানীয় কৰ্তৃপক্ষৰ বাধ্যতামূলক শিক্ষাৰ বাবে হোৱা অতিৰিক্ত খৰছৰ দুই-তৃতীয়াংশ চৰকাৰে বহন কৰিব।

(৭) স্থানীয় কৰ্তৃপক্ষই তেওঁলোকৰ শিক্ষাৰ খৰছ বহনৰ বাবে শিক্ষা কৰ ধাৰ্য্য কৰিব পাৰিব।

(৮) কোনোবা স্থানীয় কৰ্তৃপক্ষই যথা সময়ত এনে আঁচনি দাখিল কৰিব নোৱাৰিলে চৰকাৰে বিধানসভাৰ অনুমোদনক্ৰমে নিজাববিয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিব।

(৯) স্থানীয় কৰ্তৃপক্ষৰদ্বাৰা পৰিচালিত অথবা স্বীকৃতিপ্ৰাপ্ত কোনো বিদ্যালয়ে বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ বাবদ ছাত্ৰ-ছাত্ৰীৰ পৰা কোনো মাচুল আদায় ল'ব নোৱাৰিব।

(১০) চৰকাৰে বিধানসভাৰ অনুমোদন সাপেক্ষে বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰচলনৰ বাবে স্থানীয় কৰ্তৃপক্ষৰ শিক্ষা সমিতি সংগঠন, শিক্ষা কৰ, শিক্ষানিধি আদিৰ সন্দৰ্ভত বিধি উপবিধি আদি প্ৰস্তুত কৰিব।

(১১) শিক্ষা সমিতিৰ অনুমোদন ক্ৰমে স্থানীয় কৰ্তৃপক্ষই দুখীয়া ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া পাঠ্যপুথি, লিখন সামগ্ৰী আদিৰ যোগান ধৰিব।

(১২) স্থানীয় কৰ্তৃপক্ষ আৰু ইয়াৰ শিক্ষা সমিতিয়ে এই আইনখন বলবৎ কৰাৰ দায়িত্ব বহন কৰিব আৰু শিক্ষাধিকাৰৰ অনুমোদন ক্ৰমে বিদ্যালয়ৰ সা-সঁজুলি, ঘৰ-দুৱাৰ আদিৰ ব্যৱস্থা কৰাৰ লগতে শিক্ষক-কৰ্মচাৰী নিযুক্ত কৰিব ।

## অইনখনৰ পৰিণতি (Consequences of the Act.) ঃ

অসমত প্ৰাথমিক শিক্ষাৰ প্ৰশাসন আৰু নিয়ন্ত্ৰণ ব্যৱস্থা সক্ৰিয় কৰি বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদান কৰাটো এই আইনৰ প্ৰধান উদ্দেশ্য আছিল।

অসমত পোন প্ৰথম বাৰৰ বাবে গৃহীত এই আইনখনৰ কাৰ্য্যকাৰিতাৰ বিশ্লেষণ কৰিলে এখন নিৰাশাজনক ছবিৰে দেখিবলৈ পোৱা যায়। কাৰণ এই আইনখন অসমত বলবৎ কৰাৰ ক্ষেত্ৰত চৰকাৰে কোনো ধৰণৰ প্ৰচেষ্টা হাতত লোৱা দেখা নগ'ল। আনহাতে স্থানীয় কৰ্তৃপক্ষৰো এই ক্ষেত্ৰত গা-এৰা দিয়াৰ মানসিকতা পৰিলক্ষিত হয়। এই আইনখন কাৰ্যকৰী কৰি তুলিব নোৱাৰাৰ মূল কাৰণসমূহ তলত উল্লেখ কৰা হ'ল —

(১) স্থানীয় কৰ্তৃপক্ষসমূহৰ হাতত প্ৰয়োজনীয় পুঁজিৰ অভাৱ।

(২) স্থানীয় কৰ্তৃপক্ষক দিয়া চৰকাৰী সাহায্য আছিল তাকৰীয়। আনহাতে শিক্ষা কৰ ধাৰ্য্য কৰিলে স্থানীয় কৰ্তৃপক্ষই জনপ্ৰিয়তা হেৰুৱাৰ আশংকা কৰিছিল।

(৩) স্থানীয় কৰ্তৃপক্ষক আইন বলবৎ কৰাৰ সকলো ক্ষমতা দিয়া হৈছিল যদিও তেওঁলোকে সেই কাম কৰিব নোৱাৰিলে আৰু চৰকাৰেও তাৰ বাবে কোনো পদক্ষেপ গ্ৰহণ নকৰিলে।

(৪) প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত জনসাধাৰণ আছিল সম্পূৰ্ণ অজ্ঞ আৰু উদাসীন।

এনেবোৰ কাৰণত ১৯২৬ চনৰ প্ৰাথমিক শিক্ষা আইন অসমত প্ৰযোজ্য নহ'ল। কিন্তু এই আইন প্ৰনয়ণৰ ফলস্বৰূপে লাহে লাহে বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হ'বলৈ ধৰে আৰু ৰাইজো কিছু পৰিমাণে সচেতন হয়। যাৰ ফলস্বৰূপে স্বাধীনতাৰ পিছত ১৯৪৭ চন, ১৯৫৪ চন আৰু ১৯৬২ চনত অসমত প্ৰাথমিক শিক্ষাৰ নামত কেবাখনো আইন প্ৰণয়ন কৰাটো সম্ভৱ হৈ উঠে।

## কলিকতা বিশ্ববিদ্যালয়-১৯১৭ (Calcutta University, 1917) :

লৰ্ড কাৰ্জনে গ্ৰহণ কৰা বিশ্ববিদ্যালয় শিক্ষাৰ সংকোচন নীতিৰ বিপৰীতে ভাৰতীয় সকলে শিক্ষা সম্পসাৰণৰ নীতি গ্ৰহণ কৰি অধিক বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ দাবীত তুলিছিল। এই দাবীৰ প্ৰতি সহাৰি জনাই ১৯১৩ চনত প্ৰকাশ কৰা চৰকাৰী প্ৰস্তাৱেও বিশ্ববিদ্যালয় সম্প্ৰসাৰণৰ নীতি গ্ৰহণ কৰিছিল আৰু প্ৰতিখন ৰাজ্যতে একোখন বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই চৰকাৰী প্ৰস্তাৱৰ প্ৰতিক্ৰিয়া স্বৰূপে ১৯১৪ চনত ভাৰত চৰকাৰে বিশ্ববিদ্যালয় শিক্ষাৰ অনুসন্ধানৰ প্ৰয়োজনীয়তা অনুভৱ



কৰিছিল আৰু লণ্ডন বিশ্ববিদ্যালয়ৰ অনুসন্ধান আয়োগৰ অধ্যক্ষ লৰ্ড হেলডেনকে ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয়ৰ অনুসন্ধান আয়োগৰো অধ্যক্ষ ৰূপে নিৰ্বাচন কৰিছিল। কিন্তু তেওঁ প্ৰথম বিশ্বযুদ্ধৰ বাবে আয়োগৰ সভাপতি গ্ৰহণ কৰিবলৈ অমান্তি হোৱাত এই প্ৰস্তাৱ কাৰ্যকৰী নহ'ল। ফলত বিশ্ববিদ্যালয় সম্প্ৰসাৰণৰ কোনো কাৰ্য তেতিয়া আৰম্ভ হোৱা নাছিল। ইয়াৰ পিছত প্ৰথম মহাযুদ্ধৰ অন্তত বিশ্ববিদ্যালয় শিক্ষাৰ বিকাশৰ বাবে এখন আয়োগ গঠন কৰাৰ পোষকতা কৰা হয়।

## পটভূমি (Background) :

১৯১৭ চনত ভাৰত চৰকাৰে ইংলণ্ডৰ লীডচ্ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মাইকেল চেড্‌লাৰক অধ্যক্ষ ৰূপে লৈ কলিকতা বিশ্ববিদ্যালয় আয়োগ গঠন কৰে। সেইবাবে চেড্‌লাৰৰ উপাধি অনুসৰি এই আয়োগক চেড্‌লাৰ আয়োগ বুলি জনা যায়। অধ্যক্ষৰ উপৰিও এই আয়োগ খনত ছজন সদস্য আছিল। তেওঁলোক আছিল যথাক্ৰমে, ড° গ্ৰেগৰি, চাৰ ফিলিপ হাৰ্টগ, অধ্যাপক ৰামচে মুইৰ, বংগৰ শিক্ষাধিকাৰ মিঃ হৰ্ণেল, ড° জিয়াউদ্দীন আহমেদ আৰু চাৰ আশুতোষ মুখাৰ্জী।

১৯১৭ চনৰ এই চেড্‌লাৰ আয়োগখনক কলিকতা বিশ্ববিদ্যালয় আয়োগ বুলিও জনা যায়। এই আয়োগৰ প্ৰধান উদ্দেশ্য আছিশ্ৰ ১৮৫৭ চনত স্থাপন কৰা কলিকতা বিশ্ববিদ্যালয়ৰ অৱস্থা আৰু ভৱিষ্যৎ উন্নতিৰ সম্ভাৱনাৰ বিষয়ে অনুসন্ধান কৰি গঠনমূলক পৰামৰ্শ দাঙি ধৰা। তদুপৰি কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য চাৰ আশুতোষ মুখাৰ্জীৰ চেষ্টাত সেই সময়ত কলিকতা বিশ্ববিদ্যালয়ৰ ক্ৰিয়াকলাপ অধিক বৃদ্ধি হৈ পৰিছিল। অধিক সংখ্যক কলেজ ইয়াৰ নিয়ন্ত্ৰণাধীন হোৱা বাবে বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় কাৰ্যত জটিলতাই দেখা দিছিল। এই প্ৰশাসনীয় জটিলতা বিলাক দূৰ কৰিবলৈ মূলতঃ কলিকতা বিশ্ববিদ্যালয় গঠন কৰা হৈছিল।

প্ৰায় ১৭ মাহ অধ্যয়নৰ শেষত, ১৯১৭ চনত আয়োগে প্ৰতিবেদন দাখিল কৰে। এইখন এখন উল্লেখনীয় আৰু দীঘল প্ৰতিবেদন। প্ৰতিবেদনত মুঠ ১৩টা খণ্ড আছে আৰু ভাৰতবৰ্ষৰ মাধ্যমিক, বিদ্যালয় আৰু বিশ্ববিদ্যালয়ক সাঙুৰি এক বহল প্ৰতিবেদন প্ৰস্তুত কৰা হয়। আয়োগৰ প্ৰতিবেদনখন আন্তঃ প্ৰাদেশিক (inter-provincial) গুৰুত্ব থকা এখন দলিল স্বৰূপ। যদিও কেৱল কলিকতা বিশ্ববিদ্যালয়ৰ বাবে প্ৰতিবেদনখন প্ৰস্তুত কৰা হৈছিল, কম-বেছি পৰিমাণে ভাৰতৰ অন্য বিশ্ববিদ্যালয়ৰ সমস্যাও অধ্যয়ন কৰিছিল। (The report of the commission is a document of inter-provincial importance. Although it deals with the Calcutta University only, the problems that it studied are more or less common to the other Indian Universities")।

## কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰধান পৰামৰ্শসমূহ (Major Recommendations) :

কলিকতা বিশ্ববিদ্যালয়ে কলিকতা বিশ্ববিদ্যালয়ৰ বৰ্ত্তমান অৱস্থা, ভবিষ্যত উন্নতিৰ সম্ভাৱনা আদি বিভিন্ন দিশৰ ওপৰত কেতবোৰ গঠনমূলক পৰামৰ্শ আগবঢ়ায়। তদুপৰি আয়োগে সেই সময়ত মাধ্যমিক শিক্ষা সম্বন্ধেও বিভিন্ন পৰামৰ্শ প্ৰদান কৰে। আয়োগৰ মতে বিশ্ববিদ্যালয় শিক্ষাৰ লগত মাধ্যমিক শিক্ষাৰ এক প্ৰত্যক্ষ সম্বন্ধ আছে। গতিকে বিশ্ববিদ্যালয় শিক্ষাক সমান্তৰালকৈ মাধ্যমিক শিক্ষাৰও উন্নতি সাধন কৰাটো চৰকাৰ। আনহাতে আয়োগে কাৰিকৰী শিক্ষা, শিক্ষকৰ প্ৰশিক্ষণ, নাৰী শিক্ষা আদিৰ ওপৰতো পৰামৰ্শ আগবঢ়াইছিল।

## কলিকতা বিশ্ববিদ্যালয় আৰু মাধ্যমিক শিক্ষা (Calcutta University and Secondary Education):

কলিকতা বিশ্ববিদ্যালয়ে মাধ্যমিক শিক্ষাক বিশ্ববিদ্যালয় শিক্ষাৰ বুনিয়াদ স্বৰূপে গণ্য কৰিছিল। সেয়েহে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ অগ্ৰগতিৰ ক্ষেত্ৰত মাধ্যমিক শিক্ষা ওতঃপ্ৰোতভাৱে জড়িত আছিল। গতিকে মাধ্যমিক শিক্ষাৰ দোষ-ত্ৰুটিবোৰ আঁতৰ কৰিব নোৱাৰিলে বিশ্ববিদ্যালয়ৰ শিক্ষা উন্নতি সাধন নহয় বুলি আয়োগে গভীৰভাৱে বিবেচনা কৰিছিল। আয়োগেৰ আঙুলিয়াই দিয়া সেই সময়ৰ মাধ্যমিক শিক্ষাৰ ত্ৰুটিবোৰ তলত উল্লেখ কৰা হ'ল—

(১) সেই সময়ত মাধ্যমিক শিক্ষাৰ পৰ্যাপ্ত বৃদ্ধি হৈছিল, যদিও শিক্ষাৰ গুণগত মান উন্নত নাছিল।
(২) ছাত্ৰক কেৱল বিশ্ববিদ্যালয়ত প্ৰৱেশ কৰোৱা আৰু চৰকাৰী চাকৰিৰ বাবে শিক্ষা গ্ৰহণ কৰোৱাটো আছিল এই স্তৰৰ উদ্দেশ্য।
(৩) প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ অভাৱ আছিল।
(৪) দৰমহা কম আছিল বাবে শিক্ষকতা বৃত্তিৰ প্ৰতি জ্ঞানী ব্যক্তিৰ আকৰ্ষণ নাছিল।
(৫) স্কুলসমূহত পৰিদৰ্শন ব্যৱস্থা নিয়মিত নাছিল।
(৬) বৃত্তিমূলক বিষয়ৰ কোনো ধৰণৰ পাঠ্যক্ৰম প্ৰৱৰ্তণ কৰা হোৱা নাছিল।
(৭) কেৱল মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাতোয়ে আছিল মাধ্যমিক শিক্ষাৰ লক্ষ্য।
(৮) বহু সংখ্যক মাধ্যমিক স্কুল আৰ্থিক দিশত জুৰুলা হৈ পৰিছিল।

## মাধ্যমিক শিক্ষাৰ ওপৰত কলিকতা বিশ্ববিদ্যালয় আয়োগৰ পৰামৰ্শ (Recommendations of Calcutta University on Secondary Education)

মাধ্যমিক শিক্ষাৰ সমস্যাসমহ ভালদৰে পৰ্য্যালোচনা কৰাৰ পিছত আয়োগে কেতবোৰ পৰামৰ্শ আগবঢ়ায়। যেনে—

(১) মাধ্যমিক শিক্ষাৰ বিকাশৰ বাবে যথেষ্ট পৰিমাণৰ অৰ্থ সাহাৰ্য্য প্ৰদান কৰা উচিত। আয়োগৰ মতে, বছৰি ৪০ লাখ টকা এই উদ্দেশ্যে অনুদান দিয়া উচিত।



(২) ডিগ্ৰী কলেজৰ প্ৰথম দুবছৰীয়া শ্ৰেণীসমূহ মাধ্যমিক শিক্ষাৰ দৰে একে হ'ব। গতিকে এই শ্ৰেণীসমূহ বিশ্ববিদ্যালয়ৰ পৰা পৃথক কৰা উচিত আৰু মাধ্যমিক স্তৰৰ লগত ৰাখিব লাগিব।

(৩) বিশ্ববিদ্যালয় আৰু মাধ্যমিক স্তৰৰ ব্যৱধান মেট্ৰিকুলেন নহৈ ইণ্টাৰমিডিয়েট পৰীক্ষাৰ পিছত হ'ব লাগিব।

(৪) চৰকাৰে নতুন অনুষ্ঠান হিচাপে ইণ্টাৰমিডিয়েট কলেজ গঢ়ি তুলিব লাগিব।

(৫) এনে ইণ্টাৰমিডিয়েট কলেজসমূহ স্বতন্ত্ৰভাৱে অথবা অন্য কোনো নিৰ্বাচিত বিদ্যালয়ৰ লগত সংলগ্ন হ'ব।

(৬) বিশ্ববিদ্যালয়ৰ নাম ভৰ্ত্তিৰ পৰীক্ষাৰ বাবে মেট্ৰিক পৰীক্ষাত নহয়, ইণ্টাৰমিডিয়েট পৰীক্ষা উত্তীৰ্ণ হ'লেও হ'ব।

(৭) মাধ্যমিক শিক্ষা বিকাশৰ বাবে মাধ্যমিক আৰু ইণ্টাৰমিডিয়েট শিক্ষাবোৰ্ড গঠন কৰিব লাগিব। এই বোৰ্ডত চৰকাৰী, বিশ্ববিদ্যালয়, মাধ্যমিক বিদ্যালয় আৰু ইণ্টাৰমিডিয়েট কলেজৰ প্ৰতিনিধিত্ব থাকিব লাগিব। সদস্য সৰহ সংখ্যক বেচৰকাৰী (Non-official) হ'ব লাগিব। হিন্দু আৰু মুছলমান দুয়োটা সম্প্ৰদায়ৰ লোক থাকিব।

(৮) ইণ্টাৰমিডিয়েট কলেজৰ পাঠ্যক্ৰম কলা, বিজ্ঞান, শিক্ষা, কৃষি, বাণিজ্য, চিকিৎসা বিজ্ঞান, অভিযান্ত্ৰিক, উদ্যোগিক শিক্ষা ইত্যাদি থাকিব লাগিব।

(৯) মাধ্যমিক বিদ্যালয় আৰু ইণ্টাৰমেডিয়েট কলেজত শিক্ষাৰ মাধ্যম ইংৰাজী আৰু অংকৰ বাহিৰে মাতৃভাষা হ'ব লাগিব।

(১০) ডিগ্ৰী কলেজ আৰ বিশ্ববিদ্যালয় স্তৰত ইংৰাজী শিক্ষাৰ মাধ্যম হিচাপে থাকিব।

## ইণ্টাৰমিডিয়েট স্তৰ আৰু কলিকতা বিশ্ববিদ্যালয় (Intermediate tage and Calcutta University) :

এই আয়োগৰ মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত আটাইতকৈ উল্লেখযোগ্য পৰামৰ্শ হৈছে ইণ্টাৰমিডিয়েট পৰ্যায় নতুনকৈ আৰু স্বতন্ত্ৰ ভাবে খুলিবলৈ পৰামৰ্শ আগবঢ়োৱা। এই সম্বন্ধে আয়োগে আগবঢ়োৱা পৰামৰ্শ সমূহ তলত উল্লেখ কৰা হ'ল—

(১) ইণ্টাৰমিডিয়েট্ শ্ৰেণীটো মাধ্যমিক আৰু বিশ্ববিদ্যালয় শিক্ষাৰ মাজত স্থাপন কৰিব লাগে।
(২) মেট্ৰিকুলেচন পৰীক্ষাৰ পৰিবৰ্ত্তে ইণ্টাৰমিডিয়েট্ আৰু বিশ্ববিদ্যালয়ৰ মাজতহে বিভাজন ৰেখা স্থিৰ কৰিব লাগে।
(৩) ইণ্টাৰমিডিয়েট শিক্ষাৰ পৰ্যায়ত কলা, বিজ্ঞান, অভিযান্ত্ৰিক, চিকিৎসা, বাণিজ্য আদি বিষয়ৰ অন্তৰ্ভূক্ত কৰিব লাগে।

(৪) ইন্টাৰমিডিয়েট্ পৰ্যায়ৰ কলেজ সমূহ স্বতন্ত্ৰভাবে পৰিচালিত হব লাগে।

(৫) এই পৰ্যায়সমূহ চৰকাৰী ভাৱে স্থাপিত হব লাগে।

(৬) ইন্টাৰমিডিয়েট্ পৰ্যায়ৰ কলেজ সমূহ কোনো নিৰ্বাচিত হাইস্কুলৰ লগত সংযোগ কৰিব লাগে।

(৭) ইন্টাৰমিডিয়েট স্তৰৰ শ্ৰেণী সমূহৰ আকাৰ সৰু হব লাগে।

(৮) ইন্টাৰমিডিয়েট কলেজবোৰত টিউটৰিয়েল ক্লাচ, আলোচনা চক্ৰ আদি সময়ে সময়ে পাতি থাকিব লাগে।

(৯) এই পৰ্যায়ৰ শিক্ষাৰ অন্ততহে ছাত্ৰই বিশ্ববিদ্যালয়ত অধ্যয়নৰ বাবে প্ৰবেশ কৰিব পাৰিব বুলি ঠিৰাং কৰিব লাগে।

(১০) ইন্টাৰমিডিয়েট শিক্ষা পৰিষদৰ দ্বাৰা এই স্তৰটো এনেদৰে পৰিচালিত হ'ব লাগে যাতে চৰকাৰে ইয়াত কোনো ধৰণৰ হস্তক্ষেপ কৰিব নোৱাৰে।

**কলিকতা বিশ্ববিদ্যালয় আৰু বিশ্ববিদ্যালয় শিক্ষা (Calcutta University and University Education)**

কলিকতা বিশ্ববিদ্যালয়ৰ আয়োগৰ মূখ্য উদ্দেশ্য আছিল বিশ্ববিদ্যালয় শিক্ষাৰ মানদণ্ড উন্নত কৰা। বিশ্ববিদ্যালয়ৰ শিক্ষাৰ ওপৰত কৰা বিভিন্ন অধ্যয়নক অন্ততঃ চেডলাৰ আয়োগে মত পোষণ কৰে যে কলিকতা বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কলেজ আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অধিক আৰু একক সংগঠনৰ দ্বাৰা শিক্ষাৰ মানদণ্ড উন্নত কৰাটো সম্পূৰ্ণৰূপে সম্ভৱপৰ নহয়। এই আয়োগে বিশ্ববিদ্যালয় শিক্ষাৰ শৈক্ষিক আৰু প্ৰশাসনিক মানদণ্ড উন্নত কৰাৰ বাবে কিছুমান উল্লেখযোগ্য পৰামৰ্শ আগবঢ়াইছিল। আয়োগৰ এই পৰামৰ্শাৱলীক দুটা ভাগত ভাগ কৰা হয়। যেনে-

a) বিশ্ববিদ্যালয় প্ৰশাসনীয় সংগঠন

b) শৈক্ষিক পৰামৰ্শ

**A. বিশ্ববিদ্যালয় প্ৰশাসনীয় আৰু সংগঠন (Administration and organization of the universities) :**

(১) বিশ্ববিদ্যালয়ৰ কাম-কাজৰ নিয়ন্ত্ৰণ বেছি কঠোৰ হ'ব নালাগে। চিনেট আৰু চিণ্ডিকেটৰ সলনি 'বিশ্ববিদ্যালয় কোৰ্ট" (University Court) আৰু কাৰ্য্যকৰী পৰিষদ (Executive Council) গঠন কৰিব লাগিব।

(২) বিশ্ববিদ্যালয়ৰ প্ৰশাসনত মহাবিদ্যালয়সমূহৰ অধ্যাপক সকলৰ প্ৰতিনিধিত্ব বেছি হোৱা উচিত।

(৩) বিশ্ববিদ্যালয়ৰ অধ্যাপক (Professors) আৰু ৰীডাৰৰ (leadership) নিযুক্তিৰ বাবে বিশেষ নিযুক্তি নিৰ্বাচন কমিটি গঠন কৰিব লাগে।



(৪) বিশ্ববিদ্যালয়ৰ প্ৰশাসন চৰকাৰী নিয়ন্ত্ৰণৰ পৰা মুক্ত হ'ব লাগিব। চৰকাৰৰ শিক্ষা বিভাগৰ পৰা লগত প্ৰশাসন সংযুক্ত হ'ব নালাগিব।

(৫) পৰীক্ষা পৰিচালনা, শিক্ষক নিযুক্তি, গৱেষণা, পাঠ্যক্ৰম প্ৰণয়নৰ বাবে এখন শক্তিশালী শৈক্ষিক পৰিষদ গঠন কৰিব লাগিব। বিভিন্ন বিষয়ৰ বিষয় শিক্ষক কমিটি আৰু শৈক্ষিক অধ্যয়ন বোৰ্ড ও গঠন কৰিব লাগিব।

(৬) বিশ্ববিদ্যালয়ৰ বাবে এজন পূৰ্ণকালীন আৰু দৰমহা প্ৰাপ্ত উপাচাৰ্য্য নিযুক্তি দিব লাগিব।

(৭) বিভিন্ন বিশ্ববিদ্যালয়ৰ মাজত সমন্বয় ৰাখিবলৈ আৰু যোগাযোগ কৰিবলৈ এখন আন্তঃবিশ্ববিদ্যালয় সংস্থা (Inter-University Board) গঠন কৰিব লাগিব।

**B. শৈক্ষিক পৰামৰ্শ (Educational Recommendations) :**

(১) ইন্টাৰমেডিয়েট স্তৰৰ পিছত ডিগ্ৰী পাঠ্যক্ৰম তিনিবছৰীয়া হ'ব লাগিব।

(২) দক্ষ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন পূৰণৰ অৰ্থে প্ৰধান পাঠ্যক্ৰম (Honours Courses) সাধাৰণ পাঠ্যক্ৰম (General Courses) বেলেগ হ'ব লাগে।

(৩) প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি কৰিব লাগে।

(৪) ঢাকা আৰু কলিকতা বিশ্ববিদ্যালয়ত শিক্ষক প্ৰশিক্ষণৰ বাবে শিক্ষা বিভাগ (Department of Education) আৰম্ভ কৰিব লাগে।

(৫) স্নাতকোত্তৰ আৰু স্নাতক শ্ৰেণী আৰু ইন্টাৰমিডিয়েট পাঠ্যক্ৰমত শিক্ষা (Education) বিষয়টো (Discipline) পঢ়ুৱাব লাগে।

(৬) মুছলমান ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ বাবে প্ৰত্যেকটো গ্ৰহণযোগ্য পদক্ষেপ লোৱা উচিত।

(৭) ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য আৰু শাৰীৰিক উন্নতিৰ বাবে এজন শাৰীৰিক প্ৰশিক্ষক সঞ্চালক (Director of physical Training) নিযুক্তি দিব লাগে।

(৮) ছাত্ৰ-ছাত্ৰীসকলৰ কল্যানৰ বাবে বিশ্ববিদ্যালয়ৰ একোখন ছাত্ৰ-কল্যান পৰিষদ (Board of Student's Welfare) গঠন কৰিব লাগে।

(৯) আধুনিক ভাৰতীয় ভাষা (Modern Indian Language) উন্নতি আৰু দেশীয় ভাষা (Verancular) অধ্যয়নৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা উচিত।

(১০) বিশ্ববিদ্যালয় পেশা সম্বন্ধীয় (Professoional) আৰু বৃত্তীয় প্ৰশিক্ষণৰ ব্যৱস্থ্যা কৰা উচিত যাতে দেশৰ উদ্যোগিক বিকাশ সাধন কৰিব পৰা যায়।

**কলিকতা বিশ্ববিদ্যালয়ৰ ওপৰত আয়োগৰ পৰামৰ্শসমূহ (Recomendation of Commission on Calcutta University) :**

কলিকতা বিশ্ববিদ্যালয়ৰ সমস্যা সমূহ সমাধান কৰিবৰ বাবেহে মূলত এই আয়োগখন গঠন কৰা হৈছিল। কলিকতা বিশ্ববিদ্যালয় সম্বন্ধে আয়োগৰ পৰামৰ্শাৱলী এনেধৰণৰ আছিল—

(১) কলিকতা বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ সংখ্যা যথেষ্ট বৃদ্ধি হৈছে বাবে আৰু বেছি বিশ্ববিদ্যালয় স্থাপন কৰা উচিত। ঢাকাত অনতি পলমে এখন একাত্ম আৰু শিক্ষাদানকাৰী বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে বুলি প্ৰস্তাৱ লোৱা হৈছিল।

(২) কলিকতা বিশ্ববিদ্যালয় এখন সঁচা অৰ্থত এখন শিক্ষা প্ৰদানকাৰী বিশ্ববিদ্যালয় হিচাপে গঢ়ি তুলিব লাগে।

(৩) মফচল ঠাইত থকা মহাবিদ্যালয়বোৰৰ উন্নতি সাধনৰ ওপৰত গুৰুত্ব দিব লাগিব আৰু তেনেকুৱা ঠাইত বিশ্ববিদ্যালয় স্থাপনৰ চেষ্টা কৰিব লাগে।

(৪) কলিকতা বিশ্ববিদ্যালয়ৰ তলতৰ কলেজবোৰৰ শিক্ষা পদ্ধতি সম্পূৰ্ণ তত্বপ্ৰধান আছিল। সেয়েহে আয়োগে পৰামৰ্শ দিছিল যে বৃত্তিমূলক শিক্ষাৰে সৈতে বিজ্ঞান, বাণিজ্য কৃষিবিজ্ঞান আদি ভিন্নমুখী বিষয়ৰ শিক্ষা ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰয়োজনমুখী, ব্যৱহাৰোপযোগী কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

(৫) শিক্ষক সকলৰ দৰমহা ইমান নিম্নমানৰ আছিল যে বিশ্ববিদ্যালয়ৰ শিক্ষকতা বৃত্তিলৈ যোগ্যব্যক্তি আহিব বিচৰা নাছিল। তাৰোপৰি শিক্ষকৰো স্বাধীনতাও কম আছিল। এই ক্ষেত্ৰত আয়োগে শিক্ষকৰ দৰমহা বৃদ্ধি কৰি শিক্ষকতাৰ ক্ষেত্ৰত প্ৰয়োজনী স্বাধীনতা প্ৰদানৰ কথা উল্লেখ কৰিছে।

(৬) আয়োগে পৰামৰ্শ দিছিল যে, কলিকতাৰ আশে পাশে থকা মফচল কলেজবোৰ এনেদৰে সুসংগঠিত কৰিব লাগে যাতে ক্ৰমে সেই ঠাইবোৰত পিছলৈ সকলো সা-সুবিধা কেন্দ্ৰিভূত কৰি তুলি এখন বিশ্ববিদ্যালয় স্থাপন কৰিব পৰা যায়।

(৭) ইংলণ্ডৰ অক্সফোৰ্ড আৰু কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ আৰ্হিত কলিকতা বিশ্ববিদ্যালয় পৰিচালিত হব লাগে বুলি আয়োগে পৰামৰ্শ দিছিল।

**শিক্ষক প্ৰশিক্ষণ সম্বন্ধে (On Training of Teachers) :**

এই আয়োগে শিক্ষক প্ৰশিক্ষণ সম্পৰ্কত কেইটামান নতুন পৰামৰ্শ আগবঢ়াইছিল। সেইবোৰ তলত আলোচনা কৰা হ'ল—

(১) আয়োগে মাধ্যমিক পৰ্যায়ৰ শিক্ষকৰ প্ৰশিক্ষণৰ বাবে চৰকাৰে ব্যৱস্থা লব লাগে বুলি পৰামৰ্শ আগবঢ়াইছিল।



(২) প্ৰশিক্ষণ কলেজৰ সংখ্যা বৃদ্ধি কৰিব লাগে বুলি আয়োগে পৰামৰ্শ দিছিল।

(৩) কলিকতা আৰু প্ৰস্তাবিত ঢাকা বিশ্ববিদ্যালয়ত শিক্ষা বিভাগ খুলিব লাগে আয়োগে পৰামৰ্শ দান কৰিছিল। আয়োগে ভাবিছিল যে শিক্ষা বিভাগ অধ্যয়নৰ দ্বাৰা শিক্ষকে বহুখিনি প্ৰশিক্ষণ পাব।

**স্ত্ৰী শিক্ষা সম্বন্ধে (On Famale Education)**

(১) যিসকল অভিভাৱকে ছোৱালীক ১৫-১৬ বছৰলৈকে শিক্ষা দিবলৈ বিচাৰে তেওঁলোকৰ বাবে চৰকাৰে "পৰ্দাস্কুল" স্থাপন কৰিব লাগে বুলি আয়োগে পৰামৰ্শ দিছিল।

(২) কলিকতা বিশ্ববিদ্যালয়ত স্ত্ৰী-শিক্ষাৰ বিশেষ সংস্থা (Special Board of Women Education) স্থাপন কৰিব লাগে বুলি আয়োগে পৰামৰ্শ দিছিল।

(৩) এই সংস্থাই ছোৱালীৰ বাবে বিশেষ পাঠ্যক্ৰম আৰু বিশেষকৈ চিকিৎসা বিজ্ঞান অধ্যয়নৰ পাঠ্যসূচী প্ৰস্তুত কৰিবলৈ পৰামৰ্শ দিছিল।

(৪) যিবোৰ ঠাইত পৃথক ছোৱালী স্কুল নাই সেইবোৰ ঠাইত সহ-শিক্ষা দান ব্যৱস্থাত উৎসাহিত কৰিব লাগে বুলি পৰামৰ্শ দিছিল।

(৫) মাধ্যমিক পৰ্যায়ৰ শিক্ষায়িত্ৰী সকলক প্ৰশিক্ষণ লবলৈ উৎসাহিত কৰাৰ পৰামৰ্শ আয়োগে দিছিল।

**বৃত্তীয় আৰু কাৰিকৰী শিক্ষা সম্বন্ধে (On Vocational and Technical Education)**

(১) প্ৰয়োগিক বিজ্ঞান আৰু বৃত্তিমূলক শিক্ষাৰ বিষয়বস্তু বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে বুলি আয়োগে পৰামৰ্শ দিছিল।

(২) বৃত্তিমূলক শিক্ষাৰ অধ্যয়নকাৰীক বিশ্ববিদ্যালয়ে উপাধি প্ৰদান কৰিব লাগে বুলিও আয়োগে পৰামৰ্শ আগবঢ়াইছিল।

(৩) আইন আৰু চিকিৎসা বিজ্ঞানৰ বিষয় বিশ্ববিদ্যালয়ে খুলিব লাগে বুলি আয়োগে কৈছিল।

(৪) ইণ্টাৰমিডিয়েট পৰ্যায়ত বৃত্তীয় আৰু ব্যৱসায়িক পাঠ্যক্ৰম খুলিব লাগে বুলি আয়োগে পৰামৰ্শ দিছিল।

**বিশ্ববিদ্যালয়ৰ শিক্ষাত আয়োগৰ পৰামৰ্শাৱলীৰ পৰ্যালোচনা (Review of the Recommendations on University Education)**

ইংৰাজে ভাৰতবৰ্ষত স্থাপন কৰা বিশ্ববিদ্যালয় সমূহৰ আধুনিকীকৰণ কৰাত কলিকতা বিশ্ববিদ্যালয় আয়োগ সফল হৈছিল। যদিও কলিকতা বিশ্ববিদ্যালয়ৰ সমস্যাসমূহৰ সমাধান কল্পে এই আয়োগখন স্থাপন কৰা হৈছিল তথাপিও ভাৰতবৰ্ষৰ আনকেইখন বিশ্ববিদ্যালয়ৰ সমস্যা সমূহৰ সমধানতো এই পৰামৰ্শসমূহে প্ৰভুত সহায় আগবঢ়াইছিল। এই আয়োগে বিশ্ববিদ্যালয় শিক্ষাৰ প্ৰকৃত অৰ্থ আৰু কাৰ্য

পৰিসৰ সম্বন্ধে ভাৰতীয় সকলক এক নতুন ধাৰণা প্ৰদান কৰিবলৈ বিচাৰিছিল। বিশ্ববিদ্যালয়ৰ শৈক্ষিক মান উন্নত কৰি আৰু আভ্যন্তৰিণ প্ৰশাসন শক্তি শালী কৰি উপযুক্ত শিক্ষা আৰু গৱেষণাৰ পৰিৱেশ সৃষ্টি কৰিবলৈ আয়োগে যত্ন কৰিছিল। আয়োগে বিশ্ববিদ্যালয় সমূহ দেশ আৰু সমাজৰ সাহিত্য-সংস্কৃতি আৰু বিজ্ঞানৰ বিকাশৰ অনুষ্ঠান ৰূপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সেয়েহে দেশৰ আগশাৰীৰ শিক্ষাবিদ এ.এন. বসুৱে মত প্ৰকাশ কৰি আয়োগ সম্পৰ্কত এনেদৰে কৈছিল- "আয়োগৰ এই প্ৰতিবেদন ভাৰতীয় শিক্ষাৰ মাধ্যমিক স্তৰৰ পৰা বিশ্ববিদ্যালৈ স্তৰলৈকে এক বহল পৰিসৰৰ জ্ঞানগভীৰ অধ্যয়ন। সেয়েহে ভাৰতবৰ্ষৰ উচ্চশিক্ষাৰ পৰা মাধ্যমিক স্তৰলৈ এই আয়োগৰ বিভিন্ন পৰামৰ্শাৱলীৰ দ্বাৰা এতিয়াও প্ৰভাম্বিত হৈ আছে।"

## আয়োগৰ পৰামৰ্শাৱলীৰ সুফল (Merits of the Commission)

(১) আয়োগৰ পৰামৰ্শাৱলীৰ ফল স্বৰূপে ১৯১৭ চনৰ পৰা ১৯২২ চনৰ ভিতৰত ৭ খন নতুন বিশ্ববিদ্যালয় ভাৰতবৰ্ষত আধুনিক বিশ্ববিদ্যালয়ৰ আৰ্হিত স্থাপিত হয়। সেই কেইখন হ'ল যথাক্ৰমে— ঢাকা, লক্ষ্ণৌ, আলিগড়, পাটনা, বেনাৰস, মহিশুৰ আৰু ওচমানিয়া বিশ্ববিদ্যালয়।

(২) আয়োগৰ পৰামৰ্শ মতে উচ্চশিক্ষাৰ সম্প্ৰসাৰণৰ নীতি গ্ৰহণ কৰা হয়।

(৩) আয়োগে ভাৰতীয় ভাষা-সংস্কৃতিক বিশ্ববিদ্যালয় পৰ্যায়ত উপযুক্ত স্বীকৃতি প্ৰদান কৰে। শিক্ষাৰ সৰ্বোচ্চ স্থানত ইয়াৰ অধ্যয়নে বিকাশৰ পৰিসৰ বৃদ্ধি কৰি তোলে।

(৪) মাধ্যমিক পৰ্যায়ত মাতৃভাষাৰ অধ্যয়ন আয়োগৰ এটা অতি উল্লেখনীয় পৰামৰ্শ। কাৰণ মাধ্যমিক স্তৰলৈ মাতৃভাষাৰ অধ্যয়নৰ দ্বাৰা দেশ এখনৰ জাতীয় সাহিত্য সংস্কৃতি ইত্যাদি সকলোফালৰ পৰা বিকশিত হৈ উঠিব পাৰে।

(৫) আয়োগে "শিক্ষা" বিষয়টোক স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ত অধ্যয়নৰ পৰামৰ্শ দি শিক্ষা আৰু শিক্ষক প্ৰশিক্ষণৰ দিশত এক বৈজ্ঞানিক দৃষ্টি -দান কৰিছিল।

(৬) এই আয়োগৰ পৰামৰ্শক্ৰমে বিশ্ববিদ্যালয়ৰ শিক্ষা চৰকাৰী নিয়ন্ত্ৰণৰ পৰা মুক্ত হৈ স্বতন্ত্ৰতা, স্বাধীনতা আৰু স্বায়ত্ব শাসনৰ নীতিৰ দ্বাৰা পৰিচালিত হৈ উঠিছিল।

(৭) উচ্চ শিক্ষাত আয়োগৰ ছাত্ৰ কল্যাণ পৰিষদ আৰু শাৰীৰিক শিক্ষা সঞ্চালক নিযুক্তিকৰণ আৰু আন্তঃ বিশ্ববিদ্যালয় সংস্থা গঠণৰ পৰামৰ্শ প্ৰশংসনীয় আছিল।

(৮) মাধ্যমিক আৰু ইণ্টাৰমিডিয়েট পৰ্যায়ৰ শিক্ষাৰ বাবে পৃথক বৰ্ড গঠন কৰি চৰকাৰী নিয়ন্ত্ৰণৰ পৰা এই দুটা পৰ্যায়ক মুক্ত কৰিব বিচৰা হৈছিল।

(৯) বিশ্ববিদ্যালয় আৰু ইণ্টাৰমিডিয়েট পৰ্যায়ত কাৰিকৰী আৰু বৃত্তিয় শিক্ষাৰ প্ৰশিক্ষণ দি আয়োগে উচ্চশিক্ষাক ব্যৱহাৰিক উৎপাদনমুখী আৰু প্ৰয়োজনমুখী কৰিব বিচাৰিছিল।

(১০) আয়োগৰ স্ত্ৰী-শিক্ষাৰ প্ৰতি আগবঢ়োৱা পৰামৰ্শাৱলী অতি উল্লেখনীয় আছিল।



## আয়োগৰ পৰামৰ্শাৱলীৰ কুফল (Demerits of the Recommendations of the Commission)

(১) দেশৰ উচ্চশিক্ষাৰ প্ৰতি আগবঢ়োৱা আয়োগৰ পৰামৰ্শাৱলী সামাজিক, আৰ্থিক দিশতকৈ বহু বেছি আগবঢ়া আছিল। সেয়েহে এইবোৰ বাস্তৱত কাৰ্যকৰী কৰিব পৰা বিধৰ নাছিল।

(২) তিনিবছৰীয়া ডিগ্ৰী কোৰ্চৰ পৰামৰ্শটো সেইসময়ৰ কলেজবোৰৰ কাৰ্যকৰী কৰিবলৈ আৰ্থিক তথা প্ৰশাসনিক দিশৰ পৰা সম্ভৱ নাছিল।

(৩) ইণ্টাৰমিডিয়েট শ্ৰেণীটোৰ বিশ্ববিদ্যালয়ৰ লগতো তথা স্কুলৰ লগতো সম্পৰ্ক নাছিল গুণে মাজতে ওলমি থকাৰ নিচিনা হৈছিল। সেয়েহে মাধ্যমিক স্কুলৰ পৰা অহা বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এই শ্ৰেণীত সমাযোজন কৰিব নোৱাৰি পৰীক্ষাৰ ফলাফল বেয়া কৰিছিল। সেইবাবে এই শ্ৰেণীটো পিছত বাদ দিব লগা হৈছিল।

(৪) লণ্ডণ বিশ্ববিদ্যালয়ৰ আৰ্হিত হেলডেন্ আয়োগে আগবঢ়োৱা পৰামৰ্শাৱলী ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয়ৰ বাবে প্ৰয়োগিক নাছিল। কাৰণ লণ্ডন বাসীৰ নিচিনা সামাজিক ধ্যাণ-ধ্যৰণা ভাৰতীয় বাসীৰ নাছিল।

## চেড্‌লাৰ আয়োগৰ পৰামৰ্শাৱলীৰ পৰিণতি (Result of the Recommendations of the Sedler Commission)

(১) **বিশ্ববিদ্যালয়ৰ সংখ্যা বৃদ্ধি-** ১৯১৭ চনৰ পৰা ১৯২২ চনলৈ আয়োগৰ পৰামৰ্শাৱলীৰ ফলত ৭ খন বিশ্ববিদ্যালয় স্থাপিত হৈছিল। ইয়াৰ পৰবৰ্তী ১০ বছৰৰ ভিতৰত ৫ খন আকৌ নতুন বিশ্ববিদ্যালয় স্থাপিত হৈছিল। সেই কেইখন যথাক্ৰমে- দিল্লী (১৯২২), নাগপুৰ (১৯২৩), অন্ধ্ৰ (১৯২৬), আগ্ৰা (১৯২৭), আৰু আন্নামালায় বিশ্ববিদ্যালয় (১৯২৯) ত স্থাপিত হৈছিল। ১৯১৭-১৯৩০ চনৰ ভিতৰত ভাৰতবৰ্ষত ১৭ খন বিশ্ববিদ্যালয় স্থাপিত হৈছিল।

(২) **বিশ্ববিদ্যালয়ৰ শিক্ষাদান কাৰ্য-** কেৱল সংখ্যা বৃদ্ধিয়ে নহয় বিশ্ববিদ্যালয় বোৰত বিভিন্ন বিষয়ৰ শিক্ষাদান কাৰ্যত আৰম্ভ কৰা হৈছিল আৰু ডিগ্ৰী দান কাৰ্যও কৰা হৈছিল।

(৩) **শৈক্ষিক মান উন্নয়ন কৰণ-** আয়োগৰ পৰামৰ্শাৱলীৰ ফলতে বিশ্ববিদ্যালয় বিলাকৰ শৈক্ষিক মান বৃদ্ধি কৰি গৱেষণা, নতুন নতুন বিষয়ৰ সংযোজন আদি কৰা হৈছিল। স্নাতক পৰ্যায়ত বিভিন্ন বিষয়ত অনাৰ্চ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হৈছিল। বিশ্ববিদ্যালয়ত "প্ৰফেচাৰ" পদৰ সৃষ্টি কৰা হৈছিল। দেশ বিদেশৰ পণ্ডিত ব্যক্তিক আমন্ত্ৰণ কৰি আনি বিভিন্ন বিষয়ত শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছিল। কলিকতা বিশ্ববিদ্যালয়ত অৰ্থনীতি বিষয়ত "মিণ্টো আসন" স্থাপন কৰা হৈছিল।

(৪) আভ্যন্তৰীণ প্ৰশাসন ব্যৱস্থাৰ উন্নতি সাধন আৰু ছাত্ৰৰ কল্যাণ সাধন ব্যৱস্থাৰ উন্নতি সাধন এই আয়োগৰ উল্লেখযোগ্য পৰামৰ্শ আছিল।

কলিকতা বিশ্ববিদ্যালয় আয়োগে দেশৰ বিশ্ববিদ্যালয়বোৰৰ এনেদৰে সংস্কাৰ আৰু বিকাশ সাধন কৰি ভাৰতীয় বিশ্ববিদ্যালয়ৰ উন্নয়নৰ দিশ দৰ্শন কৰিছিল।সেয়েহে এই আয়োগৰ পৰামৰ্শাৱলীক ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয় শিক্ষাৰ ঐতিহাসিক সংস্কাৰ সাধনৰ পথ প্ৰদৰ্শনকাৰী (Tourch Bearer) স্বৰূপে গণ্য কৰা হয়।

এনেদৰে কলিকতা বিশ্ববিদ্যালয়ৰ পৰামৰ্শৱলীয়ে শিক্ষাৰ মাধ্যমিকৰ পৰা বিশ্ববিদ্যালয় স্তৰৰ সকলোবিলাক দিশে সামৰি লৈছিল। উল্লেখযোগ্য যে বৰ্তমান আমাৰ শিক্ষাত সৃষ্টি কৰি তোলা +২ পৰ্যায় কলিকতা বিশ্ববিদ্যালয়ে সৃষ্টি কৰা ইণ্টাৰমিডিয়েট পৰ্যায়ৰে পুণৰ সংস্কৰণ বুলিব পাৰি। বৰ্তমান আমাৰ ৰাজ্যত সৃষ্টি হোৱা "জুনিয়ৰ কলেজৰ" ক্ৰমবৰ্ধিত জনপ্ৰিয়তাই আমাক আয়োগৰ এই পৰ্যায়টোলৈকে মনত পেলায়। আয়োগে এই পৰ্যায়টোকে বিশ্ববিদ্যালয়ৰ পৰা পৃথক কৰি নি বিশ্ববিদ্যালয়ৰ প্ৰসাশনীয় বোজা পাতলাবলৈ চেষ্টা কৰিছিল আৰু উচ্চ শিক্ষাৰ অধ্যয়ন আৰু গগেৱষণা কাৰ্যৰ উন্নয়ন কৰিবলৈ যত্নপৰ হৈছিল। বৰ্তমান আমাৰ ৰাজ্যৰ উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদ (Higher Secondary Education Council) আৰু ইয়াৰ ক্ৰিয়াকলাপ কলিকতা বিশ্ববিদ্যালয়ৰ পৰামৰ্শৱলীৰ প্ৰতিফলন বুলিব পাৰি।

## প্ৰশ্নাৱলী (Questions)

1. কিমান চনত লৰ্ড কাৰ্জন ভাৰতবৰ্ষলৈ আহিছিল?
   In which year did Lord Carzon came to India?
2. কিমান চনত সৰ্বভাৰতীয় শিক্ষা সন্মিলন আৰম্ভ হৈছিল?
   In which year the All India Education Conference was held?
3. বিশ্ববিদ্যালয় শিক্ষা আয়োগ কোনে নিয়োগ কৰিছিল?
   Who had appointed the Indian University Commission?
4. বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ সভাপতি কোন আছিল?
   Who was the chairman of the Indian University Commission?
5. ভাৰত চৰকাৰে কিমান চনত শৈক্ষিক প্ৰস্তাৱ গৃহীত কৰিছিল?
   In which year Govt. of India passed a Resolution on Educational Policy?
6. ১৯১৭ চনৰ চেডলাৰ আয়োগৰ সভাপতি কোন আছিল?
   Who was the chairman of Sadler Commission of 1917?
7. গোখলেইৰ প্ৰস্তাৱটো লিখা।
   Write the proposal of Gokhale's.
8. শৈক্ষিক সংস্কাৰত লৰ্ড কাৰ্জনৰ প্ৰধান উদ্দেশ্য কি আছিল?
   What were the main objectives of Lord Curzon's educational reform?



9. চিমলা শিক্ষা সন্মিলনৰ দুটা প্ৰস্তাৱ লিখা।
   Write two educational resolutions of Simla Education Conference.
10. ১৯০২ চনৰ বিশ্ববিদ্যালয় আইন গঠনৰ কাৰ্য পৰিসৰ কি আছিল?
    What is the terms of reference of the university commission of 1902?
11. চেডলাৰ আয়োগৰ মূল লক্ষ্য কি আছিল?
    What was the main aim of Sadler Commission?
12. মাধ্যমিক শিক্ষাৰ ওপৰত চেডলাৰ আয়োগে আগবঢ়োৱা দুটা পৰামৰ্শ লিখা।
    Write two suggestions of Sadler Commission on Secondary education.
13. প্ৰাথমিক শিক্ষা আৰু মাধ্যমিক শিক্ষাৰ ওপৰত লৰ্ড কাৰ্জনে আগবঢ়োৱা পৰামৰ্শসমূহ লিখা।
    Write the recommendations of Primary and Secondary education given by Lord Curzon.
14. ভাৰতীয় বিশ্ববিদ্যালয় আয়োগ, ১৯০৪ চনৰ পৰামৰ্শ আলোচনা কৰা।
    Discuss the recommendations of Indian Universit Commission.
15. বৃটিছ ভাৰতত লৰ্ড কাৰ্জনে গ্ৰহণ কৰা শৈক্ষিক সংস্কাৰ সমূহ আলোচনা কৰা।
    Discuss the educational measures taken by Lord Curzon in British India.
16. ১৯১১ চনৰ গোখলেই বিলৰ প্ৰধান পৰামৰ্শসমূহ কি কি? ভাৰতত প্ৰাথমিক শিক্ষা বিকাশত গোখলেইৰ ভূমিকা আলোচনা কৰা।
    What are the major suggestions of Gokhale's Bill of 1911? Discuss the role of Gokhale's in developing primary education in India.
17. ১৯১৩ চনৰ শিক্ষানীতিৰ ওপৰত চৰকাৰী প্ৰস্তাৱৰ প্ৰধান সুবিধাসমূহ আঙুলিয়াই দিয়া।
    Point out the provisions of the Govt. Resolution on Educational Policy, 1913.
18. বিশ্ববিদ্যালয় শিক্ষাৰ ওপৰত চেডলাৰ আয়োগৰ প্ৰধান পৰামৰ্শসমূহ আলোচনা কৰা।
    Discuss the main recommendations of Sadler Commission on University education.
19. ভাৰতৰ উচ্চ শিক্ষাৰ বিকাশত কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।
    Discuss the impact of Calcutta University on the development of higher education in India.
20. ভাৰতীয় বিশ্ববিদ্যালয় সম্পৰ্কে কলিকতা বিশ্ববিদ্যালয়ৰ পৰামৰ্শসমূহ কি কি আছিল? এই পৰামৰ্শসমূহ কিমান দূৰ কাৰ্যকৰী হৈছিল?
    What were the recommendations of Calcutta University on Indian Universities? How far these recommendations were implemented?
21. ১৯২৬ চনৰ অসমৰ প্ৰাথমিক আইনৰ বিষয়ে বিতংকৈ লিখা।
    Write in details regarding Primary Act of Assam, 1926.

●●●